অধ্যায় ৩ ঃ প্রত্ন আৰু মিশ্র অসমীয়া সাহিত্য (১)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ প্রত্ন আৰু মিশ্র অসমীয়া সাহিত্য
৩.৩.১ চর্যাপদ
৩.৩.২ *শ্রীকৃষ্ণ কীর্ত্তন*
৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৫ অধিক জানিবলৈ
৩.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- চর্যাপদসমূহ যে প্রত্ন অসমীয়া সাহিত্যৰ প্রথম সাহিত্যিক নিদর্শন সেই বিষয়ে ধাৰণা লাভ কৰিব
- চর্যাপদৰ ভাব, ভাষা আৰু বিষয়বস্তুৰ লগতে চর্যাকাৰসকলৰ বিষয়ে আলোচনা কৰিব পাৰিব
- চর্যাপদৰ অন্তর্গত দর্শন আৰু সাধন প্রণালীৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- চর্যাপদৰ লগত বৌদ্ধ ধর্ম আৰু নাথ সম্প্রদায়ৰ সম্পর্ক আলোচনা কৰিব পাৰিব
- *শ্রীকৃষ্ণ কীর্ত্তন*ৰ মূল বিষয়বস্তু আৰু তাৰ অন্তর্নিহিত ৰস সম্পর্কে আলোচনা কৰিব পাৰিব
- *শ্রীকৃষ্ণ কীর্ত্তন*ৰ ভাষা আৰু সেই পুথিখনৰ সাহিত্যিক সৌন্দর্যৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ পূর্বৰ অধ্যায়টোত উদ্ভৱ কালীন অসমীয়া সাহিত্যৰ অন্তর্গত মন্ত্র সাহিত্য আৰু ডাকৰ বচনৰ বিস্তৃত আলোচনা পঢ়িবলৈ পালে। এইটো পাঠ্যবিষয়ৰ তৃতীয় অধ্যায় যাৰ শিৰোনাম প্রত্ন আৰু মিশ্র অসমীয়া সাহিত্য ইয়াত সেই শ্রেণীৰ সাহিত্যৰ অন্তর্গত চর্যাপদ আৰু *শ্রীকৃষ্ণ কীর্ত্তন*ৰ ধাৰণা আগবঢ়োৱা হৈছে। প্রাক্-শঙ্কৰী যুগৰ পূর্বৱর্তী যুগৰ এই শ্রেণীৰ সাহিত্য কিছু পৰিমাণে ভিন্ন ভাব-ভাষা আৰু আদর্শপুষ্ট হ'লেও সেই ৰচনাসমূহৰ মাজেদি অসমীয়া ভাষাৰ ক্রমবিকাশৰ এটা ধাৰাবাহিক ৰূপ প্রত্যক্ষ কৰিব পাৰি। সেইবাবে উভয় অসমীয়া সাহিত্য আৰু

ভাষাৰ ক্ৰমবিকাশত সেই শ্ৰেণীৰ সাহিত্যৰ অৰিহণা অপৰিসীম। এতিয়া আমি প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্যৰ অন্তৰ্গত সাহিত্যৰাজিৰ সম্যক আলোচনালৈ আগবাঢ়িছোঁ। এইটো আশা কৰা হৈছে যে শিক্ষাৰ্থীয়ে এই বিশেষ অধ্যায়টোৰ অধ্যয়নৰ মাজেদি উদ্ভৱকালীন অসমীয়া সাহিত্যৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিবলৈ সমৰ্থ হ'ব।

৩.৩ প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য

৩.৩.১ চৰ্যাপদ

প্ৰত্ন অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন হ'ল চৰ্যাপদ। চৰ্যাৰ বিষয়ে ইতিমধ্যে অসমীয়া, বাংলা, হিন্দী, মৈথিলী বিভিন্ন ভাষাৰ পণ্ডিতে আলোচনা কৰিছে আৰু প্ৰত্যেকেই নিজ নিজ ভাষাৰ প্ৰত্নৰূপত নিদৰ্শন তাৰ মাজত নিহিত হৈ থকা বুলি মত প্ৰকাশ কৰিছে।

হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা আন তিনিখন গ্ৰন্থৰে সৈতে উদ্ধাৰ কৰি আনি '*হাজাৰ বছৰেৰ পুৰাণ বাঙ্গলা ভাষায় বৌধগান ও দোহা*' নামেৰে 'বঙ্গীয় সাহিত্য পৰিষদ'ৰ পৰা প্ৰকাশ কৰা চৰ্যাগীত মূলতঃ ২৩জন সিদ্ধাচাৰ্য্যৰ দ্বাৰা ৰচিত ৫০টা গীতৰ সমষ্টি। এই গীতসমূহৰ ভাব, ভাষা, বিষয়বস্তু ইত্যাদি সম্পৰ্কে জনসাধাৰণক অবগত কৰোৱাৰ উদ্দেশ্যে এই আলোচনা প্ৰস্তুত কৰা হৈছে।

হৰপ্ৰসাদ শাস্ত্ৰীয়ে চৰ্যাপদকে প্ৰমুখ্য কৰি অন্যান্য তিনিখন গ্ৰন্থক '*হাজাৰ বছৰেৰ পুৰাণ বাঙ্গলা ভাষায় বৌদ্ধগান ও দোহা*' বুলি অভিহিত কৰিছে। শাস্ত্ৰীয়ে চৰ্যাপদৰ লগতে সৰহৰ্ব্রজৰ *দোহাকোষ*, কৃষ্ণাচাৰ্য্যৰ *দোহাকোষ* আৰু *ডাকাৰ্ণৱ* এই তিনিখন গ্ৰন্থও উদ্ধাৰ কৰিছিল আৰু চাৰিওখন গ্ৰন্থতে অসমীয়া ভাষাৰ প্ৰত্নৰূপ সংৰক্ষিত হৈ আছে। অসমীয়া আৰু বাংলা ভাষাই পৃথক ৰূপত আত্মপ্ৰকাশ লাভ কৰাৰ আগতেই অৰ্থাৎ অপভ্ৰংশ স্তৰত থাকোতেই এই পদসমূহ ৰচনা কৰা হৈছিল। চৰ্যাপদৰ সঙ্কলনটোৰ আচল নাম চৰ্যাগীত কোষ। ইয়াত ২৩জন গীতিকাৰৰ মুঠ ৫০টি গীত সঙ্কলিত হৈছে। গীতসমূহ আধ্যাত্মিক ভাবসম্পন্ন আৰু দাৰ্শনিক চিন্তাৰে পৰিপূৰ্ণ।

চৰ্যাপদসমূহ অষ্টমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত আৰু ইয়াৰ কেইবা-গৰাকী গীতিকাৰ পুৰণি কামৰূপৰ লোক আছিল। পাল আৰু শালস্তম্ভ ৰাজবংশৰ ৰাজত্বকালত পুৰণি কামৰূপত শৈৱধৰ্মৰ সমান্তৰালভাৱে তান্ত্ৰিক ৰূপত বৌদ্ধধৰ্মৰ প্ৰচলন আছিল বুলি কোনো কোনো পণ্ডিতে মত প্ৰকাশ কৰা দেখা যায়। পুৰণি কামৰূপ হাজো, কামাখ্যা, শুক্লেশ্বৰ প্ৰভৃতি বিভিন্ন স্থানত প্ৰাপ্ত ভাস্কৰ্যসমূহ তাৰ নিদৰ্শন।

কামৰূপত এসময়ত তান্ত্ৰিক বৌদ্ধধৰ্মৰ প্ৰচলন আছিল আৰু তিব্বতী ঐতিহ্যৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে মন্তব্য কৰিছে যে সিদ্ধসকলৰ কেইবাগৰাকীও পুৰণি কামৰূপৰ লোক আছিল। চৰ্যাপদসমূহত প্ৰত্ন অসমীয়া ভাষাৰ নিদৰ্শন স্পষ্ট। পৰৱৰ্তী

প্রাক্-শঙ্কৰী আৰু শঙ্কৰী যুগৰ সাহিত্যত ব্যৱহৃত ভালেমান শব্দ আৰু বৈয়াকৰণিক বৈশিষ্ট্য চর্যাপদ বা চর্যাগীতত সণ্ঢালনীভাৱে ব্যৱহৃত হৈছে।

চর্যাচর্যবিনিশ্চয় গ্ৰন্থখনি মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজ দৰবাৰ গ্ৰন্থাগাৰৰ পৰা উদ্ধাৰ কৰি আনি '*হাজাৰ বছৰেৰ পুৰাণ বাঙ্গলা ভাষায় বৌদ্ধগান ও দোহা*' শীৰ্ষক নামেৰে ১৯১৬ চনত প্ৰকাশ কৰি উলিয়ায়। হৰপ্ৰসাদ শাস্ত্ৰীয়ে উদ্ধাৰ কৰা *চর্যাচর্যবিনিশ্চয়* গ্ৰন্থত মুঠ তেইশজন সিদ্ধাচার্য্যৰ মুঠ পঞ্চাশটি গীত সন্নিৱিষ্ট হৈছে। চর্যাপদসমূহেই প্ৰত্ন-অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন; অৱশ্যে অন্যান্য আধুনিক ভাৰতীয় ভাষা বিশেষকৈ বাংলা, হিন্দী, ওড়িআ, মৈথিলী প্ৰভৃতি ভাষায়ো চর্যাপদক নিজ নিজ ভাষাৰ প্ৰাচীনতম নিদৰ্শন হিচাপে দাবী উত্থাপন কৰি আহিছে।

চর্যাপদৰ সৈতে নাথ-যোগী সম্প্ৰদায়ৰ দৰ্শন আৰু সাধন প্ৰণালীৰ নিকট সম্পৰ্ক পৰিলক্ষিত হয়। বিশিষ্ট আৰু ব্যাপকভাৱে যোগসাধনা কৰাৰ বাবে নাথসকল সমাজত যোগীৰূপে পৰিচিত। যোগৰ পদ্ধতিগত চর্চা আৰু যোগধর্মত দীক্ষা গ্ৰহণ কৰি সমাজ যোগীৰূপে পৰিচিত হোৱা এই সম্প্ৰদায়ত ধর্মচর্চা আৰু যোগসাধনা পৰস্পৰ পৰিপূৰক। নাথ-সম্প্ৰদায় দৰাচলতে সর্বভাৰতীয় সিদ্ধাচার্য্যসকলৰ সৈতে সম্পর্কিত আৰু এই সম্প্ৰদায়টো সিদ্ধ সম্প্ৰদায়, অৱধূত সম্প্ৰদায়, যোগী সম্প্ৰদায়, নাথ সম্প্ৰদায় ইত্যাদি বিভিন্ন নামেৰে পৰিচিত। শশীভূষণ দাসগুপ্তৰ মতে "The Nath cult seems to have represented a particular phase of the siddha cult of India. This siddha cult is a very old religious cult with its emphasis on the psycho-chemical process of Yoga, known as Kaya-Sadhana or the culture of body with a view to making it perfect and immortable and thereby attaining an immortal spiritual life."

নাথ-যোগীসকলৰ মতে মানৱ জীৱন অপৰিপক্ক, ক্ষয়িষ্ণু আৰু দুঃখময়। সেয়ে পৰিপক্ক, ক্ষয়হীন আৰু সুখময় জীৱন-যাপন কৰিবৰ কাৰণে দেহকেন্দ্ৰিক সাধনাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কায়াসাধনাৰ জৰিয়তে বৈষয়িক দেহত্যাগেৰে যোগদান লাভ কৰাৰ ওপৰত গুৰুত্ব দি আহিছেঃ

"ন তস্য ৰোগো ন জৰা ন-মৃত্যু প্ৰাপ্তস্য যোগাগ্নিময়ং শৰীৰম্।"

(শ্বেতাশ্বেতৰ উপনিষদ ২০১৯)

"নাদানুসন্ধানী বলি নাথ-যোগী খ্যাত।

নাদেৰ সন্ধান পন্থা নাথ আৱিস্কৃত।।" (গোৰক্ষ পদাৱলী, পৃঃ ২৯২)

অর্থাৎ যোগৰ অগ্নিৰ দেহ পৰিশুদ্ধ কৰি অজৰ অমৰত্ব লাভ কৰাটোৱেই হৈছে নাথ-যোগীসকলৰ সাধনা।

চর্যাপদসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াত ভোগতকৈ ত্যাগৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। জীৱনৰ ৰিক্ততাৰ বেদনা, অভাৱৰ আক্ষেপ আদিৰ মাজেদিও

পঙ্কৰ বুকুতে পঙ্কজৰ সম্ভাৱনাই নাথ-যোগীসকলৰ চিন্তাধাৰাক অধিক কেন্দ্ৰমুখী কৰি তুলিছে। যোগ সাধনাৰ মহত্ব বৰ্ণনা কৰিবলৈ গৈ সাধকসকলে মানৱ জীৱনৰ স্বাভাৱিক ভোগতৃষ্ণা পৰিহাৰ কৰি নিৰাসক্ত ভোগ-বৈৰাগ্য প্ৰদৰ্শন কৰিছে। চৰ্যাকাৰসকলৰ কৰুণ জীৱনৰ সজ্ঞান নিৰ্লিপ্ততা আৰু জীৱনৰ ৰূপতৃষ্ণা এই গীতসমূহৰ মাজেদি প্ৰতিভাত হৈ উঠিছে।

মানুহৰ বাস্তৱ জীৱনত ভোগাকাঙ্খা থাকিলেও ভোগ কৰাৰ সুযোগ নাথাকিলে মনৰ অদম্য বাসনাই ভোক্তাৰ মানস জীৱনত চিত্ত-চাঞ্চল্যৰ সৃষ্টি কৰাটো স্বাভাৱিক। চিত্তৰ এই চঞ্চল অৱস্থাত সৎ-অসৎ আদিৰ ভেদ দৃষ্টিগোচৰ নহয়। গতিকে চৰ্যাপদত বা চৰ্যাগীতত চিত্তশোধনৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে—

"কাআ তৰুবৰ পঞ্চবি ডাল
চঞ্চল চিএ পইঠো কাল।।
দিট কৰিঅ মহাসুহ পৰিমাণ।
লুই ভনই গুৰু পুচ্ছিআ জান।।" (চৰ্যা-১)

ইড়া-পিঙ্গলাৰ মধ্যৱৰ্তী সুষুম্নাৰ সহায়ক যোগ সাধনাৰ জৰিয়তে কুণ্ডলিনী নাড়ীৰ জাগৰণ ঘটোৱা হয়। এই কুণ্ডলিনী শক্তিয়ে সাধকক কাম্য পৰমাত্মৰ সন্ধান দিয়ে। সেয়ে কুণ্ডলিনী জ্ঞানকেই 'প্ৰেয়সী' আৰু 'প্ৰাণৰ যোগিনী' বুলি অভিহিত কৰাটো যুক্তিসঙ্গত যেন লাগে।

'ইড়াও পিঙ্গলা সাধি জাগ কুণ্ডলিনী।
সেইতে প্ৰেয়সী মোৰ প্ৰাণেৰে যোগিনী।।"

সংসাৰ ত্যাগী যোগীসকলে পাৰ্থিৱ ভোগাকাঙ্খাৰ বিপৰীতে অপাৰ্থিৱ ভোগ তৃষ্ণাৰ প্ৰতিহে অধিক আকৰ্ষিত। এনে পৰিপ্ৰেক্ষিতত চৰ্যাগীতৰ ৰচকসকলৰ ভিতৰত কেইবাগৰাকীও যোগমাৰ্গী-যোগী আছিল বুলি মোটামুটিভাৱে সিদ্ধান্ত কৰিব পাৰি।

নাথযোগীসকলে মানৱ দেহতেই সমগ্ৰ-বিশ্বৰ অস্তিত্ব উপলব্ধি কৰে আৰু সেয়ে দীৰ্ঘজীৱন আৰু অমৰত্ব লাভৰ কাৰণে কায়া সাধনাত গুৰুত্ব আৰোপ কৰে। ব্ৰহ্মাণ্ডৰ ভিতৰৰ চলমান শক্তি মানৱ দেহতেই বিৰাজিত হৈ আছে— 'ত্ৰৈলোক্যেয়ানি ভূতানি তানি সৰ্বানি দেহতঃ।' জীৱদেহৰ ভিতৰত এই শক্তি বিকাশৰ কাৰণেই যোগসাধনাৰ প্ৰয়োজন।

যোগপন্থ আৰু চৰ্যাপদৰ সৈতে তাৰ সম্পৰ্ক ঃ যোগীগুৰু মৈত্ৰেয়নাথে প্ৰাচীন কামৰূপত খ্ৰীষ্ট্ৰিয় তৃতীয় শতিকামানত যোগাচাৰবাদৰ প্ৰৱৰ্তন কৰে বুলি জনা যায়। তেওঁ বোধি লাভৰ কাৰণে যোগ সাধনাৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰিছে। অৰ্থাৎ যোগ্যভ্যাসৰ দ্বাৰা চিত্তক অন্তৰ্মুখী কৰিব পাৰিলেহে ব্ৰহ্মলাভ সম্ভৱ হয়। *শ্ৰীমদ্ভগৱত গীতাত* শ্ৰীকৃষ্ণই উল্লেখ কৰিছে—

"অথ চিত্তং সমাধাতুং শক্নোষি ময়ি স্থিৰম্।
অভ্যাস যোগেন ততো মামিচ্ছাপ্তুম ধনঞ্জয়ঃ।।"

(অর্থাৎ, হে ধনঞ্জয়, তুমি যদি মোত চিত্ত স্থিৰ কৰি ৰাখিব নোৱাৰা তেন্তে বাৰে বাৰে অভ্যাস কৰি চিত্তক সমাহিত কৰি মোক পোৱাৰ চেষ্টা কৰা।)

*চর্যাচর্যবিনিশ্চয়*ত সন্নিৱিষ্ট অনেক চর্যাত যোগ সাধনাৰ নির্দেশ হোৱা গৈছে। নাথপন্থৰ প্রৱর্তক মীননাথে কায়াসিদ্ধিৰ কাৰণে যোগ সাধনাত গুৰুত্ব আৰোপ কৰা দেখা যায়। চর্যাগীতৰ টীকাত সন্নিৱিষ্ট মীননাথৰ চর্যাগীতৰ নিদর্শন এনে ধৰণৰ—

"কহন্তি গুৰু পৰমার্থৈ বাট।
কর্মকূৰঙ্গ সমাধি কপাট।
কমল বিকশিল কহিহন জমৰা।
কমলমধু পিবিবি ধোকে ন ভমৰা।"

মীননাথৰ প্রধান শিষ্য গোৰক্ষ্যনাথে সাধনাত সিদ্ধিলাভৰ কাৰণে যোগৰ প্রয়োজনীয়তা স্বীকাৰ কৰিছে। যোগৰ দ্বাৰা কায়াসিদ্ধি নকৰিলে সহজাৱস্থাত উপনীত হ'ব নোৱাৰি। চর্যাপদত গীতিকাৰসকলে দেহস্থিত অসংখ্য নাড়ীৰ মাজত আলি, কালি, ধমন, চমন আদি নামেৰে বাম আৰু দক্ষিণ (ইড়া আৰু পিঙ্গলা) নাড়ীৰ লগতে অবধূতিকা বা সুষুম্না নাড়ীৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। 'তস্যাংমধ্যে ত্রয়ঃশ্রেষ্ঠা বামদক্ষিণমধ্যমাঃ।' পৱনবিজয় স্বৰোদয় ১০৯০ এই নাড়ীত্রয় যেনেকৈ সাধনাৰ প্রধান অঙ্গ, তেনেকৈ সাংসাৰিক মানুহৰ প্রাত্যহিক জীৱন-নির্বাহৰ কাৰণেও তাৰ অতি প্রয়োজন। নাড়ীত্রয়ৰ সহায়তেই মানৰ সংসাৰৰ সচলতা আৰু বিষয়-তৰঙ্গৰ উত্থান-পতন সম্ভৱ হৈছে। আকৌ অৱধূতিমার্গত বোধিচিত্তৰ চলাচলৰ দুটি ধাৰা আছে। প্রাণ আৰু অপান বায়ুৰ মিলিত নিম্নগামী ধাৰাটোক সংবৃত্তি বোধিচিত্ত বোলা হয়। এই সংবৃত্তি বোধিচিত্তই ত্রিলোক নির্মাণ কৰে ঃ কাল-প্রৱাহক স্বীকাৰ কৰি মায়াবদ্ধ হৈ দ্বৈতজ্ঞানৰ পৃষ্ঠপোষকতা কৰে। বেধিচিত্তৰ অন্যটি ধাৰা ঊর্ধ্বগামী হৈ সহজচক্রত নির্বিকল্পত লাভ কৰে; এয়ে পাৰমার্থিক বোধিচিত্ত। পাৰমার্থিক বেধিচিত্ত সহজ সাধনাৰ প্রধান মাধ্যম। গুৰুৰ কৃপাজনিত অবধূতিমার্গত বোধিচিত্তৰ এই দ্বিমুখী প্রবাহৰ মাজত প্রথমটোক আপাতসত্য আৰু দ্বিতীয়টোক চিৰন্তন সত্য বুলি ধৰা হৈছে।

চর্যাপদকাৰসকলৰ ভিতৰত কাহ্নুপাদেই হৈছে সৰহ সংখ্যক গীতৰ ৰচয়িতা। তেওঁৰ শ্রেষ্ঠত্ব কেৱল সংখ্যা বিচাৰেই নহয়, গভীৰ সহানুভূতি তথা ব্যাপক সাহিত্য সাধকৰ কৃতিত্ব আৰু সার্থকতাৰ মূল ভিত্তি।

চর্যাপদৰ গুৰুৱাদ ঃ ভাৰতীয় নাথযোগী সম্প্রদায় মূলতঃ গুৰুমুখী সাধক সম্প্রদায়। এই সম্প্রদায়ৰ অন্তর্গত নাথধর্ম অৱলম্বনকাৰীসকলৰ সাধনাত সিদ্ধিলাভৰ কাৰণে গুৰুৰ অপৰিহার্যতা স্বীকাৰ কৰা হৈছে।

দীক্ষাগুৰুৰ অৱতাৰণা নাথ সম্প্রদায়ৰ ভাৰতীয় ধর্মীয় সাধন পদ্ধতিলৈ উল্লেখযোগ্য অৱদান বুলিব পাৰি। যোগৰ ব্যৱহাৰিক মন্ত্র আৰু সাধন পদ্ধতিৰে শিৱমন্ত্রত দীক্ষিত হোৱাৰ কাৰণেই নাথসকল সমাজত 'যোগী' নামেৰে পৰিচিত হৈছে। নাথ-যোগীসকলৰ বংশ পৰম্পৰা দুই ধৰণে সম্প্রসাৰিত হৈছে— নাদ-পৰম্পৰা (গুৰুমুখী) আৰু বিন্দু-পৰম্পৰা (বংশানুক্রমিক)।

নাথ-যোগ সাধনাৰ দৰেই তন্ত্র সাধনাতো গুৰুৰ প্রাধান্য স্বীকাৰ ৰক্ষা হৈছে। গুৰ অবিহনে নাথ-সাধনাত অগ্রসৰ হোৱাটো অত্যন্ত কঠিন। সহজ সাধনাতো গুৰুৰ স্থান অতি উচ্চ। *হে-বজ্রতন্ত্রত* গুৰুৰ মাহাত্ম্য বর্ণনা কৰি এনেদৰে লিখিছে—

"আত্মনা জ্ঞায়তে পুণ্যাং গুৰুপর্বোপসেবয়া।"

দেহকেন্দ্রিক যোগ সাধনাত গুৰুৰ ভূমিকা অতি গুৰুত্বপূর্ণ। এই সাধনাৰ প্রত্যেক স্তৰতেই গুৰুৰ প্রয়োজনা অপৰিহার্য।

"দুর্লভা সহজাৱস্থা সদ্‌গুৰু কৰুণাং বিনাং।" (হঠযোগ প্রদীপিকা)

সিদ্ধাচার্য্য লুইপাদে মানৱ দেহক পঞ্চস্কন্ধযুক্ত বৃক্ষৰ লগত তুলনা কৰি বাম আৰু দাহিনৰ মধ্যবর্তী পথ অবধূতিকাৰ উর্দ্ধাভিসাৰৰ জৰিয়তে যি 'মহাসুখপ্রাপ্তি' ঘটে, সেই বিষয়ে জানিবৰ বাবে গুৰুক সুধিবলৈ অনুৰোধ জনাইছে—

"লুই ভণই গুৰু পুচ্ছিঅ জান।" (চর্যা-১)

কম্বলাম্বৰ পাদ ৰচিত ৪নং চর্যাতো অনুৰূপভাৱে গুৰুক সুধিবৰ বাবে আহ্বান জনোৱা হৈছে—

"খুণ্টি উপাড়ি মেলিলি কাচ্ছি।
কহতু কামলি সদগুৰু পুচ্ছি।।" (চর্যা-৮)

প্রকৃতার্থত যোগীসকলৰ বাবে গুৰুৱেই একমাত্র কাণ্ডাৰী। চর্যাগীতৰ সাধক কবিসকলে বাম আৰু দক্ষিণৰ মধ্যৱর্তী অবধূতিকা নাড়ীক আশ্রয় কৰি কৰা মধ্যমার্গৰ সিদ্ধিলাভ কৰিছে। কিন্তু, সর্বসাধাৰণৰ কাৰণে এনে সাধনাত সিদ্ধিলাভ সম্ভৱ নহয়। ই অত্যন্ত দুৰুহ সাধনা, কোটিৰ মাজৰ এজনৰ পক্ষেহে ইয়াক হৃদয়ঙ্গম কৰাটো সম্ভৱ-

"কুড়ি মাঝে একু হি অহি সমাইউ।" (চর্যা-২, কুক্কৰীপাদ)

চর্যাপদত নাৰী প্রসঙ্গ ঃ চর্যাগীতত ভালেমান ঠাইত 'যোগিনী' শব্দৰ উল্লেখ আছে। কিন্তু, যোগিনী শব্দৰ প্রয়োগ ব্যৱহাৰিক অর্থত নহৈ সম্পূর্ণ তাত্ত্বিক অর্থতহে হোৱা বুলিব পাৰি। ব্যৱহাৰিক বা শব্দগত অর্থত ইস্ত্রী-যোগী অর্থাৎ যোগসাধনাত অংশগ্রহণ কৰা সহজ-সঙ্গিনীক বুজোৱা যেন লাগিলেও ইয়াৰ ব্যাখ্যা অন্য ধৰণেও দাঙি ধৰিব পাৰি।

যোগীসকলে সংযম সাধনাৰ জৰিয়তে বীর্য্য ৰক্ষা কৰি দীর্ঘ জীৱন-যাপনৰ ওপৰত গুৰুত্ব দি আহিছে। সাধাৰণতে নাৰীক সাধনমার্গৰ প্রতিবন্ধক হিচাপে বিবেচনা কৰা দেখা যায়। নাথ সম্প্রদায়ত যি নাদ বিন্দু সাধনাৰ পৰম্পৰা ৰক্ষিত হৈ আহিছে, সেয়া সম্পূর্ণ সংযম আধাৰিত। যোগৰ জৰিয়তে বিন্দুৰক্ষা কৰাটো যোগীসকলৰ

চিৰকলীয়া কথা। বিন্দুক 'মহাৰসামৃত' হিচাপে স্বীকাৰ কৰা হৈছে। এই মহাৰসামৃত (বীর্য্য) ক্ষয় হোৱাটো যোগীয়ে নিবিচাৰে। বাঘিনী স্বৰূপ নাৰীয়ে পুৰুষৰ মন মুহি ধ্বংসৰ মুখলৈ গতি কৰায়। নাৰীৰ মায়াপাসে পুৰুষক স্বপ্লায়ু কৰে আৰু দেহৰ শীঘ্র বিনাশ ঘটায়।

যি বিন্দুৰ প্রাচুর্য আৰু প্রাপ্তিৰ কাৰণেই নৰনাৰীৰ মনত পাৰাপাৰহীন আনন্দ লাভ হয়, তেনে বিন্দুৰক্ষা তথা বিন্দু-সাধনাই সিদ্ধযোগীৰ জীৱনৰ চৰম লক্ষ্য। *ব্রহ্মচর্যপ্রতিষ্ঠায়াংবীর্যলাভঃ (পতঞ্জল, যোগদর্শন ২০৩৮)*। যোগৰ জৰিয়তে ত্রিপাপৰ ক্রিয়াত দগ্ধ মানৰ দেহে সকলো সাংসাৰিক ক্রিয়াকলাপৰ পৰা মুক্ত হৈ যোগাগ্নিময় ৰূপ লাভ কৰে।এনে অৱস্থাত কোনো সাংসাৰিক মায়াই দেহৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব নোৱাৰে। ফলত সাধকে সিদ্ধিলাভ কৰাত সহজ হয়।

১৯নং চর্যাত ডোম্বীৰূপিনী নৈৰাত্মাৰ সৈতে মিলনৰ জৰিয়তে নির্বাণ প্রাপ্তিৰ প্রচেষ্টা চলোৱা দেখা গৈছে।চর্যাটিত বিবাহৰ ৰূপক হিচাপে লৈ ধর্মীয় তত্ত্ব ব্যাখ্যা কৰাৰ প্রয়াস কৰা হৈছে। পৰিশুদ্ধ অবধূতিকাৰূপিনী ডোম্বীৰ প্রতি অনুৰক্ত যোগীৰ আনন্দৰ মাজত অতীত বিয়াৰ পিছত নৱ-দম্পতিৰ পৰম্পৰৰ মাজত অতীব আকর্ষণ দৰেই যোগী আৰু নৈৰাত্মাৰ আকর্ষণৰ ফলস্বৰূপে হোৱা মিলনত সাধকে মহাসুখ লাভ কৰে—

"অহনিসি সুৰঅ-পসঙ্গে জাঅ।
জোইনিজালে ৰ-এনি পোহাঅ।।
জোম্বীএৰ সঙ্গে জো জোই ৰত্তো।
খণহ নছাড়হ সহজ উন্মত্তো।।" (চর্যা-১৯, কৃষ্ণপাদ)

চর্যাপদ আৰু বৌদ্ধধর্ম প্রসঙ্গ ঃ চর্যাপদসমূহ অষ্টমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত হৈছিল আৰু সেই সময়ত পাল আৰু শালস্তম্ভ বংশৰ ৰজাসকলে কামৰূপত শাসন কৰিছিল। এই সময়তেই পুৰণি কামৰূপ তান্ত্রিক বৌদ্ধমতে প্রচাৰ লাভ কৰে বুলি অনুমান কৰা হৈছে। তিব্বতৰ ঐতিহ্যৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে মন্তব্য কৰিছে যে বৌদ্ধ সিদ্ধাচার্য্যসকলৰ ভিতৰত কেইবাগৰাকীও কামৰূপৰ লোক আছিল। পুৰণি কামৰূপৰ সৈতে দাঁতি-কাষৰীয়া তিব্বত আৰু নেপালৰ ধর্মীয় আৰু সাংস্কৃতিক সম্পর্ক আছিল আৰু সেয়ে পৰস্পৰৰ মাজত জ্ঞান-বিদ্যা প্রভৃতি বিষয়ক যোগসূত্র স্থাপিত হৈছিল।

বৌদ্ধধর্ম আছিল যুক্তিৰ ওপৰত প্রতিষ্ঠিত ধর্ম। সেয়ে বৌদ্ধধর্মত যুক্তিৰে প্রমাণ কৰিব নোৱাৰি আত্মা ঈশ্বৰ, পুনর্জন্ম আদিৰ স্থান নাছিল। অৱশ্যে পৰৱর্তী কালত বৌদ্ধধর্মত জন্মান্তৰবাদে প্রৱেশ লাভ কৰে। বৌদ্ধধর্মত নির্বাণ লাভ কৰিবৰ কাৰণে সন্ন্যাস, ধ্যান আৰু কেতবোৰ কঠোৰ নীতি-নিয়ম পালন কৰাটো আছিল বাধ্যতামূলক। পৰৱর্তী বৌদ্ধ সন্ন্যাসীসকলে সোনকালে নির্বাণ লাভ কৰিবৰ কাৰণে নানা ধৰণৰ চমু উপায়ৰ সৃষ্টি কৰিলে আৰু তাৰ পৰাই মন্ত্র, ধাৰণী আদিৰ সৃষ্টি হ'ল। লাহে লাহে যুক্তিপ্রধান বৌদ্ধধর্মত যুক্তিহীন আচাৰে প্রাধান্য লাভ কৰিলে।

বুদ্ধদেৱে ধৰ্মৰ নামত চলা ব্যাভিচাৰসমূহ দূৰ কৰিবৰ কাৰণে বৌদ্ধধৰ্মত কঠোৰ সংযম আৰু পঞ্চশীল নীতিক ঠাই দিছিল। পূৰ্ণ-ব্ৰহ্মচৰ্য্যৰ ওপৰত প্ৰতিষ্ঠিত এই ধৰ্মত পঞ্চমকাৰ নিষিদ্ধ কৰা হৈছিল। কিন্তু তান্ত্ৰিক বৌদ্ধসকলে নিৰ্বাণৰ নামত পঞ্চমকাৰ বৌদ্ধধৰ্মত স্থান দি বৌদ্ধধৰ্মক সম্পূৰ্ণ গুৰুত্বহীন কৰি পেলালে। তান্ত্ৰিক আচাৰ অতি গোপনীয় আছিল আৰু ই উদ্ভৱ কালৰ পৰাই প্ৰায় তিনিশ বছৰ অতি গোপনে গুৰু পৰম্পৰা ৰূপত চলি আহিছিল। এই মত প্ৰচাৰত চৌৰাশীজন সিদ্ধাচাৰ্য্যই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই সিদ্ধসকল খ্ৰীষ্টিয় সপ্তম, অষ্টম আৰু নৱম শতিকাৰ লোক আছিল। এওঁলোকে ৰচনা কৰা গীতবোৰ ভাষাত ৰচিত আৰু প্ৰহেলিকাময় অৰ্থৰে পৰিপূৰ্ণ। আমাৰ বোধেৰে এইবোৰ কামৰূপী অপভ্ৰংশত ৰচিত।

বজ্ৰযানৰ উদ্ভৱ হয় তৃতীয় শতিকাত। এই শতিকাত মৈত্ৰেয়নাথে আৰম্ভ কৰা মহাযান বৌদ্ধধৰ্মৰ যোগাচাৰ দৰ্শনৰ পৰাই পোনপটীয়াকৈ বজ্ৰযানৰ উদ্ভৱ হৈছে। এই দৰ্শন অনুসৰি বাহ্যিক জগতখন অস্তিত্বহীন আৰু মূলতঃ মনৰ সৃষ্টি। দৰাচলতে পাৰ্থিৱ বস্তুবোৰ সপোন সদৃশ আৰু ক্ষণস্থায়ী। নিৰ্বাণ অবিহনে পুনৰ্জন্মৰ হাত সৰাটো সম্ভৱ নহয়।

ভৱ হ'ল দুঃখময় আৰু তাৰ নিবৃত্তিয়েই নিৰ্বাণ, গতিকে নিৰ্বাণ সুখময়। এই সুখবাদৰ ওপৰেত সহজযানীসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছে।

বৈয়াকৰণিক বৈশিষ্ট্য ঃ

- **বচন ঃ** উদ্ভৱকালীন অসমীয়া ভাষাৰ বিশেষ্য পদবোৰ সাধাৰণতে বচন নিৰপেক্ষ আৰু ই এটাক বুজালে একবচন ৰূপ আৰু দুটা বা ততোধিক বুজালে বহুবচন ৰূপ লয়।

  ধমন চমন বেণি পাত্তি বইঠা। (চ-১)

  চান্দসুজ্জ বেণি পখা ফাল। (চ-৪)

  চন্দ-সুজ্জ দুই চকা। (চ-১৪)

  এক সে গুণ্ডিনী। (চ-৩০১)

  বতিস জোইনী। (চ-২৭০১)

  - আগত সংখ্যাবাচক শব্দ যোগ দি। যেনে—

    পঞ্চ বি ডাল (চ-১১)

    তিনি ভুঅণ। (চ-১৮)

  - আগত বা পাছত সমষ্টিবাচক বিশেষ্য যোগ দি, যেনে—

    লোঅ ঃ পাৰাগামিলোঅ (চ-৫)

    বিন্দজনলোঅ। (চ-১৮)

  - দ্বিৰুক্তিৰ দ্বাৰা বহুবচন অৰ্থ ব্যক্ত কৰি—

    ৰাআ-ৰাআ। (চ-৩৪)

- দ্বিৰুক্ত বিশেষণ শব্দ আগত যোগ দি, যেনে—
  উচাঁ পাবত। (চ-২৮)
- বহুবচনৰ অর্থ প্রকাশক বিশেষণ শব্দ যোগ দি, যেনে—
  নানা তৰুবৰ। (চ-২৮)
  বহুবিধ খেড়া। (চ-৪১)

➢ **লিঙ্গ ঃ** প্রাচীন ভাৰতীয় আর্য্যভাষাত বিশেষ্য বিশেষণ আৰু প্রথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে অন্যান্য সর্বনামত লিঙ্গভেদ আছিল। যেনে— অয়ম (পুংলিঙ্গ), ইয়ং (স্ত্রীলিঙ্গ) ইদম্ (ক্লীৱলিঙ্গ)।

চর্যাপদত উদ্ভৱকালীন অসময়ীয়া ভাষাৰ লিঙ্গভেদৰ বৈশিষ্ট্য দেখা যায়।

- পুৰুষ আৰু স্ত্রী বুজোৱা পৃথক বিশেষ্য পদ প্রয়োগৰ যোগেদি—
  নৰ-। (চ) নাৰী (চ)
  বলদ (চ-৩৩০৩) গবিআ (চ-৩৩০৩)
  সুসুৰা (চ-২০৩) শাসু (চ-৪০৪)
  ভতাৰ। (চ- ২০০১) ইত্যাদি।
- প্রত্যয় যোগত লিঙ্গভেদ। যেনে—

পুংলিঙ্গ	স্ত্রীলিঙ্গ
কৰিণা (চ-৯)	কৰিণি (চ-৯)
ষিসালা (চ-৩৩)	শাসু (চ-৫০)
হৰিণা (চ-৬)	হৰিণী (চ-৬)
শবৰা (চ-৫০)	শবৰী (চ-৫০)

- প্রাণী আৰু অপ্রাণী বাচক বিশেষ্যৰ পিছত প্রত্যয় যোগ দি। যেনে—
  স্ত্রীলিঙ্গ
  জোইণী (চ-২৭)
  শুণ্ডিনী (চ-৩)
- অকল স্ত্রীবাচক শব্দ প্রয়োগৰ দ্বাৰা। যেনে—
  বান্ধি- (চ-৪১)
- লিঙ্গ নিৰপেক্ষ ৰূপৰ যোগদি। যেনে—
  কুম্ভীৰৰ- (চ-২), সাপ (চ-৪১)সগুণ (চ-৫০)

➢ **বিশেষণ পদৰ প্রয়োগ ঃ** উদ্ভৱকালীন অসমীয়া ভাষাত পদৰ আগত বা পাছত বিশেষণ পদৰ প্রয়োগ ঘটা দেখা যায়। যেনে—

ক) বিশেষ্য পদৰ পদৰ আগত—
উজুবাট (চ-১৫), উজোলি চান্দে (চ-৩০)
উমত সবৰো, (চ-২৮), কলা মুষা (চ-২১)

চঞ্চল চীএ (চ-১), দুঠ বলন্দেঁ (চ-৩৯)

নানা তৰুবৰ (চ-২৮), পাগল সবৰো (চ-২৮)

বহল বাট (চ-২৬), ইত্যাদি।

খ) বিশেষ্য পদৰ পাছত—

এ ভব থিৰা (চ-২০), ডোম্বী বাপুড়ী (চ-১০)

কেতিয়াবা বিশেষ্য পদৰ উল্লেখ নকৰাকৈ বিশেষণ পদৰ দ্বাৰা বিশেষ্যৰ বোধ হ'ব পাৰে। যেনে—

উজুৰে উজু মা চাড়ি মা লেহুৰে বল (চ-৩২)

উদক-চান্দ জিম যাচ ন মিচ্ছা (চ-২৯)

ডোম্বীত আগলি নাহি চ্ছিণালী।

➢ **নির্দিষ্টতাবাচক প্রত্যয় ঃ** বিশেষ্য আৰু সংখ্যাবাচক শব্দৰ পিছত উদ্ভৱকালীন অসমীয়া ভাষাত কেইটামান নির্দিষ্টতাবাচক প্রত্যয় যোগ হোৱা দেখা যায়। যেনে—

জণ/জন ঃ কুলিণজন (চ-১৮০২)

বিদুজন (চ-১৮০৪)

জণা/জনা ঃ পাঞ্চ জনা (চ-১২০৩)

➢ **কাৰক আৰু শব্দবিভক্তি ঃ**

কর্তা ঃ চঞ্চল চীএ পইঠো কাল। (চ-১)

কর্ম ঃ অমিঅ ভখম মুষা। (চ-২১)

মতিএঁ ঠাকুৰৰ পৰিনিবিত্তা। (চ-১২)

কাৰণ ঃ কুঠাৰেঁ ছিজঅ। (চ-৪৫)

বিন্ধ নিঅ মনে বহা (চ-২৮)

আধিকৰণ ঃ দিৱসই বহুড়ী কাড়ই ভৰে ভাঅ। (চ-২)

হাড়ীত ভাত নাহি । (চ-৩৩)

অপাদান ঃ কুলেঁ কুল মা হোই। (চ-১৫)

সম্বন্ধ ঃ খনহ ন ছাড়অ। (চ-৬)

এড়িএউ ছান্দক বান্ধ (চ-১)

ৰুখেৰ তেন্তেলি (চ-৬)

হৰিণীৰ নিলঅ (চ-৬) ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ চর্যাপদ বুলিলে কি বুজে? (৫০০টা শব্দৰ ভিতৰত লিখিক)

৩.৩.২ *শ্রীকৃষ্ণ কীর্ত্তন*

শ্রীকৃষ্ণ কীর্ত্তন আৰু শূন্য *পুৰাণক* কোনো কোনো পণ্ডিতে মিশ্র অসমীয়া সাহিত্য বুলি অভিহিত কৰিছে। অসমীয়া আৰু বাংলা উভয় ভাষাৰ নিদর্শন ইয়াত সন্নিৱিষ্ট থকাৰ কাৰণে অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলে এনেদৰে উমৈহতীয়া সাহিত্য, মিশ্র সাহিত্য প্রভৃতি নামেৰে নামকৰণ কৰিলেও ভাষা-সমাজতাত্ত্বিক বিশ্লেষণৰ দিশৰ পৰা ফঁহিয়াই চালে ইয়াত অসমীয়া ভাষাৰ প্রভাৱহে অধিক দেখা যায়।

এই বিষয়ে শিক্ষার্থীসকলক সচেতন কৰি দিয়াৰ লগতে চণ্ডীদাস, বড়ু চণ্ডীদাস আৰু দ্বিজ চণ্ডীদাস সম্পর্কীয় সংশয় দূৰ কৰি এওঁলোক যে প্রত্যেকেই পৃথক-পৃথক ব্যক্তি, সেই সম্পর্কে বোধ জন্মোৱা আৰু *শ্রীকৃষ্ণ কীর্ত্তনৰ* নাম সম্পর্কীয় মতভেদ আৰু চণ্ডীদাসৰ সমস্যা সমাধানৰ প্রয়াস কৰাৰ উদ্দেশ্যে এই আলোচনাৰ অবতাৰণা কৰা হৈছে।

অসমীয়া জাতীয় জীৱনত *কীর্ত্তনৰ* এক পৰম্পৰা আছে। *কীর্ত্তন* বুলিলে আমি সাধাৰণতে মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত *কীর্ত্তন-ঘোষাক* বুজো আৰু ইয়াৰ উদ্দেশ্য হৈছে শ্রৱণ-কীর্তনৰ যোগেদি ঈশ্বৰৰ প্রতি ভক্তিভাব জাগ্রত কৰা। অসমীয়া জাতীয় জীৱনত *শ্রীৰাম কীর্ত্তন, গোপিনী কীর্ত্তন, সবহুৱা কীর্ত্তন* প্রভৃতি বিবিধ *কীর্ত্তনৰ* সৃষ্টি হৈছে আৰু প্রত্যেকৰে অন্তর্নিহিত উদ্দেশ্যৰ মাজত সাদৃশ্য আছে। *শ্রীকৃষ্ণ কীর্ত্তন* কিন্তু এনে পৰম্পৰাৰ পৰা পৃথক। ইয়াত শ্রৱণ-কীর্তনৰ পৰিৱর্তে ৰাধা-কৃষ্ণৰ প্রেমলীলাৰ বর্ণনাহে দাঙি ধৰা হৈছে। ১৯১৬ খ্রীষ্টাব্দত বঙ্গীয় সাহিত্য পৰিষদৰ দ্বাৰা প্রকাশিত গ্রন্থখনৰ বিষয়বস্তু ৰাধা-কৃষ্ণৰ লীলা বিষয়ক আৰু ইয়াৰ অভ্যন্তৰীণ ৰচনাশৈলীৰ মাজত কোনো ধৰণৰ ভাবগত ঐক্য বিচাৰি পোৱা নাযায়। ইয়াৰ মূল পাণ্ডুলিপিটো বাঁকুৰা জিলাৰ বিষ্ণুপুৰৰ কাকিল্যা গাঁৱৰ পৰা উদ্ধাৰ পৰা হয়। ইয়াৰ ৰচয়িতা চণ্ডীদাস বীৰভূম জিলাৰ নান্নুৰ গাঁৱৰ বাসিন্দা বুলি কোৱা হৈছে।

পুথিখন বাংলা সম্পাদকে সম্পাদনা কৰিলেও ইয়াৰ ভাষাত প্রাক্-শঙ্কৰীযুগৰ ভাষাৰ ছাপ স্পষ্ট। ৰুদ্র কন্দলি, হৰিবৰ বিপ্রৰ ভাষাতকৈ ইয়াৰ ভাষাই কিছু প্রাচীনত্বৰ আভাস দাঙি ধৰে। সেয়ে গ্রন্থখনি চতুর্দশ শতিকাৰ ৰচনা হোৱাটো স্বাভাৱিক।

১৯০৯ খ্রীষ্টাব্দত (১৩১৬ বঙ্গাব্দ) বসন্ত ৰঞ্জন ৰায় বিদ্বদ্বল্লভে বাঁকুৰা জিলাৰ বিষ্ণুপুৰৰ কাকিল্যা গাঁৱৰ এজন গৃহস্থৰ গোহালিত *শ্রীকৃষ্ণ কীর্ত্তন* গ্রন্থৰ পাণ্ডুলিপিটো উদ্ধাৰ কৰে। গ্রন্থখনি ১৯১৬ খ্রীষ্টাব্দত বঙ্গীয় সাহিত্য পৰিষদৰ যোগেদি বসন্তৰঞ্জন ৰায় বিদ্বদ্বল্লভৰ সম্পাদনাত প্রকাশিত হয়। গ্রন্থখনৰ বিষয়বস্তু ৰাধা-কৃষ্ণৰ লীলা বিষয়ক আৰু বিভিন্ন পদৰ শেষত বড়ু চণ্ডীদাসৰ ভণিতা সন্নিৱিষ্ট হৈছে। এই গ্রন্থ প্রকাশৰ পিছতেই প্রাচীন সাহিত্যৰসিকসকলৰ মাজত চণ্ডীদাস সম্পর্কীয় সমস্যাৰ উদ্ভৱ হয়। পৰৱর্তী কালত মণীন্দ্র মোহন বসুৱে কলিকতা বিশ্ববিদ্যালয়ৰ গ্রন্থাগাৰৰ পৰা দীন চণ্ডীদাসৰ পদ আৱিষ্কাৰ কৰাত চণ্ডীদাস সম্পর্কীয় সমস্যাটিয়ে তীব্র ৰূপ ধাৰণ কৰে।

বৈষ্ণৱ পদাৱলী সাহিত্যৰ মধুৰ পদাৱলীৰ ৰচয়িতা চণ্ডীদাস, বড়ু চণ্ডীদাস আৰু দীন চণ্ডীদাস —এওঁলোক একেজনেই নে পৃথক-পৃথক ব্যক্তি, এই লৈ গভীৰ সমস্যাৰ সৃষ্টি হয়। বঙ্গদেশত চৈতন্যদেৱৰ আবির্ভাবৰ পূর্বৰে পৰাই ৰাধা-কৃষ্ণৰ প্রেম-কাহিনীয়ে বিশেষ জনপ্রিয়তা লাভ কৰিছিল। গৌড়ীয় বৈষ্ণৱ ভক্তসমাজত চণ্ডীদাসৰ পদাৱলী এক লোকোত্তৰ ধর্মীয় মূল্যেৰে মহিমামণ্ডিত হোৱা বাবে চণ্ডীদাসৰ ভণিতাযুক্ত এনে বহুতো পদ আৱিস্কৃত হৈছে, যাৰ আভ্যন্তৰীণ ৰচনাশৈলীৰ মাজত কোনো ধৰণৰ ভাৱগত ঐক্য বিচাৰি পোৱা নাযায়। সেয়ে চণ্ডীদাস সম্পর্কত সংশয়ৰ উদ্ভৱ হয়।

বীৰভূম জিলাৰ নান্নুৰ গাঁৱত ৰজকিনীৰ প্রেম-ৰসত নিমগ্ন এগৰাকী চণ্ডীদাসৰ উল্লেখ পোৱা যায়। তেওঁ ৰজকিনী ৰামীৰ অপার্থিৱ প্রণয়ৰ মাধুৰিমা আহৰণ কৰি নিজৰ স্নিগ্ধ প্রাণৰ গভীৰতাত প্রেমময়ী ৰাধিকাৰ ৰসময়ী মূর্তি গঢ়ি তুলিছিল। এই চণ্ডীদাস সহজীয়া ঐতিহ্যৰ পৰকীয়া প্রীতিৰেই অনুগামী আছিল যেন ধাৰণা জন্মে।

পিছে, *শ্রীকৃষ্ণ কীর্ত্তনৰ* বিষয়বস্তু বৈষ্ণৱ পদাৱলী সাহিত্যৰ পৰা সম্পূর্ণ পৃথক। বিশিষ্ট পণ্ডিত দীনেশ চন্দ্র সেনে একাধিক চণ্ডীদাসৰ সম্ভাৱনা নাকচ কৰি মন্তব্য কৰিছে যে, "কবি চণ্ডীদাস ও *কৃষ্ণ কীর্ত্তন* রচয়িতা যে অভিন্ন ব্যক্তি, তৎসম্বন্ধে আমাদের সংশয় নেই।" আনহাতে, বিশিষ্ট পণ্ডিত মুহম্মদ ছহীদুল্লাহে মত প্রকাশ কৰিছে যে চণ্ডীদাস দুজন; এজন পদাৱলী ৰচয়িতা, আনজন *শ্রীকৃষ্ণ কীর্ত্তনৰ* পদকর্তা। তেওঁৰ ভাষাত "*শ্রীকৃষ্ণ কীর্ত্তনের* বাহিরে বড়ু চণ্ডীদাসের পদ নাই।... ...বড়ু চণ্ডীদাস বিক্ষিপ্ত কবিতা হিসাবে পদাৱলী রচনা করেণ নাই।" সেয়ে তেওঁ মন্তব্য কৰিছে যে 'চণ্ডীদাসের নামে প্রচলিত অনেক পদ যে বড়ু চণ্ডীদাস ভিন্ন অন্য চণ্ডীদাসেৰ, তাহাতে সন্দেহ থাকে না।' বাংলা সাহিত্যৰ ইতিহাসকাৰ অসিত কুমাৰ বন্দোপাধ্যায়েও অনুৰূপ মন্তব্য আগবঢ়াইছে। তেওঁ লিখিছে— "আমাদের মতে পদাৱলীৰ চণ্ডীদাসের ভণিতায় বড়ু উপাধি থাকিলেও তাহাকে *শ্রীকৃষ্ণ কীর্ত্তনের* কবির ৰচনা বলিয়া গ্রহণ করা উচিত হইবে না, তাহা পরৱর্তী কালের অন্য কোন কবির রচনা, বা পদাৱলীর চণ্ডীদাসের নামে ভ্রমক্রমে 'বড়ু' উপাধি যুক্ত হইয়া গিয়াছে।"

মণীন্দ্রমোহন বসুৱে দীন চণ্ডীদাসকেই পদাৱলীৰ ৰচয়িতা হিচাপে স্বীকাৰ কৰিছে। বৈষ্ণৱ পদাৱলী সাহিত্যত যিবোৰ উৎকৃষ্ট পদ সঙ্কলিত হৈছে, সেয়া দীন চণ্ডীদাসৰেই ৰচনা। বসুৱে লগতে উল্লেখ কৰে যে, এইগৰাকী দীন চণ্ডীদাসেই বঙালী পাঠকৰ অধিক পৰিচিত। কিন্তু, বসুৰ এই সিদ্ধান্তও সম্পূর্ণ যুক্তিসঙ্গত বুলি মানি ল'ব নোৱাৰি। কিয়নো, চৈতন্য পৰৱর্তী কালত, বিশেষকৈ সপ্তদশ শতিকাত দীন চণ্ডীদাস নামৰ এগৰাকী কবিৰ সন্ধান পোৱা গৈছে; এওঁ ৰাধা-কৃষ্ণৰ লীলাবিষয়ক ভালেমান 'পালাগান' ৰচনা কৰিছিল।

***শ্রীকৃষ্ণ কীর্ত্তনৰ* নাম সম্পর্কীয় মতভেদ ঃ** *শ্রীকৃষ্ণ কীর্ত্তন* গ্রন্থখনিৰ মূল নাম কি আছিল, কবিয়েনো গ্রন্থখনৰ নাম কি ৰাখিছিল, এই সম্পর্কে গ্রন্থৰ সম্পাদক বসন্তৰঞ্জন ৰায়ে

একো উল্লেখ কৰা নাই। তেওঁ মাথোন প্রথম সংস্কৰণৰ পাতনিতে এনেদৰে উল্লেখ কৰিছে— "দীর্ঘকাল যাবৎ চণ্ডীদাস বিরচিত *কৃষ্ণ কীর্ত্তনের* অস্তিত্ব মাত্র শুনিয়া আসিতেছিলাম। এতদিনে তাহার সমাধান হইয়া গেল। আমাদের ধারণা, আলোচ্য পুথিই *কৃষ্ণ কীর্ত্তন* এবং সেই হেতু উহার অনুরূপ নাম নির্দেশ করা হইল।" কিন্তু গ্রন্থৰ এই নাম সম্পর্কত প্রথম সংশয় উত্থাপিত হয় ৰমেশ বসুৰ এটি প্রবন্ধত। *চণ্ডীদাসের কৃষ্ণ কীর্ত্তন* শীর্ষক উক্ত প্রবন্ধত বসুৱে লিখিছে— চণ্ডীদাসের গ্রন্থে কোথাও ইহার নাম পাওয়া যায় নাই। শ্রদ্ধেয় মহাশয় ইহার নাম দিয়াছেন *শ্রীকৃষ্ণ কীর্ত্তন* নামৰ অর্বাচীনতা প্রমাণৰ প্রয়াস কৰি এনেদৰে মন্তব্য আগবঢ়ায়—

"কেহ কখনেও পূর্বে এরূপ গ্রন্থের নামও শুনে নাই।... ...বসন্তবাবু কিন্তু বলেন যে তিনি নাকি দীর্ঘকাল যাবৎ চণ্ডীদাস বিরচিত *কৃষ্ণ কীর্ত্তনৰ* অস্তিত্ব শুনিয়া অসিয়াছেন কোথায় কাহার কাছে কি সূত্রে কিছুই প্রকাশ করেন নাই। এত এব গোড়াতেই *কৃষ্ণ কীর্ত্তন* নামেরে কোনো ভিত্তি পাওয়া যায় না। শুধু বসন্তবাবুর ধারণা এবং শোনা কথার মূল্য কি?" *শ্রীকৃষ্ণ কীর্ত্তন* নামৰ বিৰোধিতা কৰি আন এগৰাকী সমালোচক যোগেশ চন্দ্র ৰায় বিদ্যানিধিয়ে মন্তব্য কৰিছে যে— "এক মস্ত ভুলও হয়ে গেছে, রাধা-কৃষ্ণ লীলায় *কৃষ্ণ কীর্ত্তন* নাম হয়ে গেছে।" কিয়নো গ্রন্থখনত কৃষ্ণৰ মাহাত্ম্য *কীর্ত্তনৰ* পৰিৱর্তে ৰাধা-কৃষ্ণৰ প্রেমলীলাৰহে বর্ণনা দাঙি ধৰা হৈছে।

সম্পাদক বসন্তৰঞ্জন ৰায়ে যোগেশ চন্দ্র ৰায় বিদ্যানিধিৰ প্রবন্ধ প্রকাশৰ পাছতেই *প্রবাসী* পত্রিকাত *শ্রীকৃষ্ণ কীর্ত্তন* নাম সম্পর্কে সংশয় দূৰ কৰাৰ কাৰণে প্রয়াস কৰে 'চণ্ডীদাস চরিতে সংশয়' শীর্ষক প্রবন্ধৰ যোগেদি। উক্ত নামৰ সমর্থনত বসন্তৰঞ্জন ৰায়ে স্বর্গীয় ব্রজসুন্দৰ সান্যাল, স্বর্গীয় ত্রৈলোক্য নাথ ভট্টাচার্য্য, স্বর্গীয় ক্ষীৰোদ চন্দ্র ৰায়চৌধুৰী আৰু স্বর্গীয় জগদ্বন্দ্ব ভদ্রৰ লেখাৰ পৰা উদ্ধৃতি দি চণ্ডীদাসৰ গ্রন্থ *শ্রীকৃষ্ণ কীর্ত্তনৰ* অস্তিত্ব প্রমাণৰ প্রয়াস কৰে।

শ্রীকৃষ্ণ কীর্ত্তনৰ সৈতে সংলগ্ন এখন অতিৰিক্ত কাগজত গ্রন্থখনিৰ নাম *শ্রীকৃষ্ণ সন্দর্ভ* বুলি উল্লেখ কৰিছে। দৰাচলতে, এইটোৱেই পুথিখনৰ আচল নাম আৰু গ্রন্থখনিৰ দ্বিতীয় সংস্কৰণত সম্পাদকে পুথিৰ সৈতে সংলগ্ন এই অতিৰিক্ত কাগজখিলাৰ প্রতিলিপি প্রকাশ কৰে। নলিনীনাথ দাশগুপ্তই *শ্রীকৃষ্ণ কীর্ত্তন লিপিকাল* প্রবন্ধত *শ্রীকৃষ্ণ কীর্ত্তন* নামটো ভিত্তিহীন বুলি মন্তব্য কৰে। তেওঁৰ মতে "প্রথম সংস্করণে সম্পাদক মহাশয় নিজের কি একটা বিশ্বাসে এ গ্রন্থের নামকরণ করিয়াছিলেন *শ্রীকৃষ্ণ কীর্ত্তন*। ১৩৪১ সালের বিচিত্রায় *কৃষ্ণ কীর্ত্তন* সম্বন্ধে একটি প্রবন্ধে আমাকে লিখিতে হইয়াছিল এই বিশ্বাস নেহাৎ ভিত্তিহীন। অৱশ্যে এ ভরষা আমার কিছুমাত্র ছিল না যে তজ্জন্য দ্বিতীয় সংস্করণে গ্রন্থখনির একটি নতুন নাম রখা হইবে।"

পৰৱর্তী কালত মুহম্মদ শহীদুল্লাহে 'চণ্ডীদাস সমস্যা' প্রবন্ধত পুনৰায় *শ্রীকৃষ্ণ সন্দর্ভত* প্রসঙ্গটিৰ অবতাৰণা কৰে। বড়ু চণ্ডীদাসৰ গ্রন্থখনৰ নাম যদিও *শ্রীকৃষ্ণ সন্দর্ভ*

আছিল, কিন্তু সম্পাদকে পুথি সম্পাদনাত তাৰ নাম ৰাখিছিল *শ্রীকৃষ্ণ কীর্ত্তন*। এই সম্পর্কে চিন্তা-ভাৱনা কৰা অন্যান্য পণ্ডিতসকলৰ ভিতৰত বিজনবিহাৰী ভট্টাচার্য্য, অসিত কুমাৰ বন্দোপাধ্যায় আৰু তাৰাপদ মুখোপাধ্যায়ৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

বিজনবিহাৰী ভট্টাচার্য্যৰ মতে— "আৰু কোনো প্রবলতর প্রমাণ না পাইলে *শ্রীকৃষ্ণ কীর্ত্তন*কে *শ্রীকৃষ্ণ সন্দর্ভ* না বলিব কেন?" অনুৰূপভাৱে অসিতকুমাৰ বন্দোপাধ্যায়ে মতপ্রকাশ কৰিছে এনেদৰে— "যতদিন *শ্রীকৃষ্ণ কীর্ত্তনে*র যথার্থ নাম আৱিষ্কৃত না হইতেছে ততদিন ইহাকে *শ্রীকৃষ্ণ সন্দর্ভ* বলিয়াই গ্রহণ করিতে হইবে।" ওপৰোক্ত আলোচনাৰ সাৰমর্ম এই যে, গ্রন্থখনিৰ নাম *শ্রীকৃষ্ণ কীর্ত্তন*ৰ পৰিৱর্তে *শ্রীকৃষ্ণ সন্দর্ভ* হোৱাই অধিক যুক্তিসঙ্গত।

***শ্রীকৃষ্ণ কীর্ত্তন*ৰ পৰিচয়** ঃ বড়ু চণ্ডীদাসৰ *শ্রীকৃষ্ণ কীর্ত্তন* আৰু চণ্ডীদাসৰ পদাৱলীৰ ভাব-ভাষা আৰু ৰচনাশৈলীৰ মাজত যথেষ্ট পার্থক্য পৰিলক্ষিত হয়। *শ্রীকৃষ্ণ কীর্ত্তন* অপেক্ষাকৃতভাৱে প্রাচীনকালত ৰচিত হোৱা বাবে ইয়াৰ ভাব আৰু চৰিত্রবিন্যাসৰ দিশত বিশেষ সূক্ষ্মতাৰ অভাৱ পৰিলক্ষিত হয়। ভাষাৰ দিশৰ পৰা *শ্রীকৃষ্ণ কীর্ত্তন*ৰ প্রাচীনত্ব সহজেই চকুত পৰে। চৈতন্য পৰৱর্তী কালত ৰচিত হোৱাৰ বাবে চণ্ডীদাসৰ পদাৱলীত *শ্রীকৃষ্ণ কীর্ত্তন*ৰ তুলনাত ভাব আৰু ব্যঞ্জনাৰ দিশত অধিক সূক্ষ্মতা লক্ষ্য কৰা যায়।

*শ্রীকৃষ্ণ কীর্ত্তন*ৰ আৰম্ভণিৰ আৰু শেষৰ পৃষ্ঠাসমূহ নোপোৱাত গ্রন্থৰ নাম, গ্রন্থকাৰৰ পৰিচয় প্রভৃতি সম্পর্কে আলোচ্য গ্রন্থত কোনো তথ্য গ্রন্থৰ সম্পাদকে দাঙি ধৰাৰ পৰিৱর্তে নিজাববীয়াকৈ কিম্বদন্তী আৰু পূর্বৰ ঐতিহ্যৰ আধাৰত গ্রন্থখনিৰ নাম ৰাখিলে *শ্রীকৃষ্ণ কীর্ত্তন*।

*শ্রীকৃষ্ণ কীর্ত্তন*ৰ কাহিনীভাগ খণ্ডত বিভক্ত। খণ্ডসমূহ হ'ল— জন্ম খণ্ড, তাম্বুল খণ্ড, দান খণ্ড, নৌকা খণ্ড, ভাৰ খণ্ড, ছত্র খণ্ড, বৃন্দাবন খণ্ড, কালীয় দমন খণ্ড, বস্ত্রহৰণ খণ্ড, হাৰ খণ্ড, বান খণ্ড, বংশী আৰু ৰাধা বিৰহ খণ্ড। *শ্রীকৃষ্ণ কীর্ত্তন*ৰ জন্মখণ্ডত শ্রীকৃষ্ণৰ আবির্ভাবৰ পৌৰাণিক পটভূমি ৰচনা কৰা হৈছে। অৱশ্যে শ্রীকৃষ্ণৰ জন্মবৃত্তান্ত পুৰাণ অনুসৃত হ'লেও, ৰাধাৰ জন্মবৃত্তান্ত পুৰাণৰ পৰা সম্পূর্ণ পৃথক। কংসৰ উৎপীড়নৰ পৰা জগতবাসীক উদ্ধাৰৰ কাৰণেই ভগৱান নাৰায়ণে কৃষ্ণ ৰূপে অৱতাৰ গ্রহণ কৰিছিল আৰু তেওঁৰ সম্ভোগৰ উদ্দেশ্য লক্ষ্মীয়ে ৰাধাৰূপে মর্ত্যত জন্মগ্রহণ কৰিছিল।

"কাহ্নাঞিৰ সম্ভোগ কাৰণ। লক্ষ্মীক বুলিলে দেৱগণ।।
আল ৰাধা পৃথিৱীত কৰ অবতাৰ। থিৰ হউ সকল সংসাৰ।।"

মন কৰিবলগীয়া যে *হৰিবংশ, ভাগৱত পুৰাণ* অথবা *বিষ্ণু পুৰাণত* ৰাধাৰ প্রসঙ্গ পোৱা নাযায়; তাৰ পৰিৱর্তে *পদ্মপুৰাণ* আৰু *ব্রহ্মবৈৱর্ত পুৰাণত*হে ৰাধাৰ কাহিনী বিবৃত হৈছে। ৰাধাই যে শ্রীকৃষ্ণৰ সম্ভোগৰ উদ্দেশ্যেই পৃথিৱীত জন্মগ্রহণ কৰিছিল, তেনে কোনো উল্লেখ *পুৰাণত* পোৱা নাযায়।

*শ্রীকৃষ্ণ কীর্ত্তন*ৰ তাম্বুল খণ্ডতেই কাব্যখনিৰ কেন্দ্রীয় বক্তব্যৰ অবতাৰণা কৰা হৈছে। *শ্রীকৃষ্ণ কীর্ত্তন*ৰ কাহিনীৰ মুখ্যৰস শৃঙ্গাৰ; কাব্যৰ মতে ৰাধাৰ চাৰিত্রিক বিশুদ্ধতাৰ কাৰণে তদাৰকৰ দায়িত্ব দিয়া হয় তেওঁৰ মাকৰ পেহীয়েক বড়াইক। এই বড়াইৰ তত্ত্বাৱধানতে ৰাধাই সখীসকলৰ সৈতে বৃন্দাবনৰ পৰা মথুৰালৈ গৈ দুগ্ধজাত সামগ্রীৰ ব্যৱসায় কৰে। এদিন ৰাধা মথুৰালৈ যাওঁতে তেওঁক বিচাৰি অন্য পথেৰে গৈ বড়াইয়ে গোচাৰণ কৰি থকা কৃষ্ণক লগ পালে আৰু তেওঁক ৰাধাৰ বিষয়ে সোধাত কৃষ্ণই ৰাধাক চিনি নাপাওঁ বুলি কোৱাত বড়াইয়ে ৰাধাৰ ৰূপ-সৌন্দর্যৰ কথা বর্ণনা কৰিলে আৰু তাকে শুনি শ্রীকৃষ্ণই ৰাধাক লগ পাবৰ কাৰণে আগ্রহী হৈ উঠিল। কৃষ্ণৰ মনোভাব বুজিব পাৰি বড়াইয়ে কৃষ্ণৰ সঙ্কেতবহ ফুল-তাম্বুল ৰাধাক নিবেদন কৰিলে যদিও ৰাধাই সেয়া অস্বীকাৰ কৰিলে।

"তোহ্মাৰ অন্তৰেঁ কাহ্নাঞিঁ কৰিলো যতনে।
অনেক প্রকাৰে তাক বুলিলো বচনে।।
তাহাত মুগধী ৰাধা ন পাতিল কানে।
পাত্র পেলাইল তোৰ সব গুআ-পানে।।"

ৰাধাই কৃষ্ণৰ প্রস্তাৱত সন্মতি প্রকাশ নকৰাত বড়াইয়ে পুনৰায় অনুৰূপ প্রস্তাৱ দাঙি ধৰিলে যদিও ৰাধাই সেয়া প্রত্যাখ্যান কৰি নিজৰ মতত অটল হৈ থাকিল।

ৰাধাৰ ওচৰত অপমাণিত হৈ বড়াইয়ে কৃষ্ণৰ সৈতে পৰামর্শ কৰি মথুৰাৰ পথত কৃষ্ণক 'দানী' সজাই সখীসকলৰে সৈতে ৰাধাক নি তাত উপস্থিত কৰালেগৈ। সেই সময়ত পথৰ বকেয়া মাছুলৰ পৰিৱর্তে কৃষ্ণই ৰাধাৰ যৌৱন দাবী কৰিলে। অৱশেষত বিভিন্ন তর্ক-বিতর্কৰ মাজেদি কৃষ্ণই ৰাধাৰ অসহায়তাৰ সুযোগ গ্রহণ কৰি নিজৰ অভীষ্ট সিদ্ধি কৰিলে—

"বড়ায়ি বড়ায়ি বুলি অঝৰ নয়নে।
কান্দএ একসৰী ৰাধা মাঝ বনে।।
লোহ মুছিআঁ কাহ্ন আপন বসনে।
না কৰিব ভয় ৰাধা বুলিলে বচনে।।
এবেঁ দেখ মোৰ মুখ তুলী দুই আখী।
এহা ঘোৰ বনে ৰাধা কেহো নাহি সাখী।
তোহ্মাৰ আহ্মৰ ৰাধা প্রথম যৌৱন।
সুৰত সম্ভোগে কৰী সফল জীৱন।।" ইত্যাদি।

নৌকাখণ্ডত কৃষ্ণই নাৱৰীয়া হৈ বড়াইৰ যোগেদি কৌশলেলে ৰাধাক অনাই নৌকাৰে জলবিহাৰ কৰিছে—

"মোএঁ যবে জাণো কাহ্নঞিঁ ঘাটে মহাদানী।
বড়ায়িক ছাড়ী কেহ্নে হৈবোঁ একাকিনী।।

কেহ্নে সব সখীজন আগু কৈলোঁ পাৰ।
কাল হআঁ গেল মোৰে যৌৱনভাৰ।।
কি ভৈল কি ভৈল বিধি যমুনাৰ ঘাটে।
*কেহ্নে মন কৈলোঁ জাইতেঁ মথুৰাৰ হাটে।।"*ইত্যাদি।

'ভাৰ খণ্ড'ত ৰাধাৰ কিছু পৰিমাণে কলা নিপুণ ৰূপত দেখুওৱা হৈছে। নৱ-যৌৱনা ৰাধাই কৃষ্ণৰ সঙ্গসুখ কামনা কৰি কৃষ্ণৰ সৈতে মিলনৰ বাবে সঙ্কেত দিছে। অর্থাৎ যদি কৃষ্ণই ভাৰী সাজি ৰাধাৰ মথুৰা হাটলৈ যোৱাত সহায় কৰে, তেন্তে ৰাধাই কৃষ্ণক ৰতিদান কৰিব। ৰাধাৰ আহ্বানক্রমে কৃষ্ণই ভাৰী বেশ ধাৰণ কৰি ৰাধাৰ দধি-দুগ্ধৰ ভাৰ বহন কৰিলে আৰু ৰাধাক প্রতিশ্রুতি পালনৰ বাবে সোঁৱৰাই দিবলৈ ধৰিলে—

"তোৰ ৰূপ যৌৱনে মোহিত জগতনাথ।
নাৱ বাহিতেঁ নাহিঁ চলে দুই হাথ।।
অবল হৈলোঁ তোৰ সখী কৰি পাৰে।
অধৰ অমিআঁ দেহ বল হউ মোৰে।
ভুজে ভিড়ি আলিঙ্গন দেহ একবাৰ।
চিত্তেৰ হৰিষে কাহ্নাঞিঁ কৰু তোৰে পাৰ।।" ইত্যাদি।

ভাৰখণ্ডৰ কাহিনীভাগ অসম্পূর্ণ, কাৰণ পুথিৰ কেইখিলামান পাত উদ্ধাৰ হোৱা নাই।



জানি থোৱা ভাল

শ্রীকৃষ্ণ কীর্ত্তন পুথিখন মূলতঃ গীতিধর্মী আৰু নাট্যধর্মী। মুঠতে তেৰটা খণ্ডত বিভক্ত কাব্যখনত ১৬১টা শ্লোক (ইয়াৰে ২৮টা পুনৰাবৃত্তি ৩২টা ৰূপ, ১৫খন তাল থকা ৪১৮টা গীত সন্নিৰিষ্ট হৈছে। সেই খণ্ড কেইটা হ'ল— জন্ম, তাম্বুল, দান, নৌকা, ভাৰ, ছত্র, বৃন্দাবন, কালীয় দমন, বস্ত্রহৰণ, হাৰ, বান, বংশী আৰু ৰাধা বিৰহ খণ্ড, কাব্যখনত প্রতিটো খণ্ডই স্বয়ং সম্পূর্ণৰ দৰে যদিও কবিয়ে শ্লোকৰ ব্যৱহাৰ কৰি এইবোৰৰ মাজত সঙ্গতি স্থাপন কৰিছে। ইয়াৰ গীতবোৰ দুটা ভাগ— ধ্রুৱক আৰু পদ। প্রথম ছয়শাৰী পদক ধ্রুৱক আৰু শেষৰখিনিক পদ বুলি চিহ্নিত কৰি প্রতিটো গীতৰ আৰম্ভণিতে ৰাগ, তাল আৰু কিছুমান গীতত গোৱাৰ সময় লিপিবদ্ধ কৰা হৈছে।

ভাৰ খণ্ডৰ পিছৰ খণ্ডটো হৈছে ছত্র খণ্ড। মথুৰাৰ তপত পথত ৰাধাৰ মূৰৰ ওপৰত ছাটি ধৰিলে কৃষ্ণৰ মনোবাঞ্ছা পূর্ণ কৰিব বুলি ৰাধাই প্রতিশ্রুতি দিছিল। ৰাধাৰ প্রতিশ্রুতি অনুসৰি কৃষ্ণই সুৰতিৰ আশাত ছত্র ধৰিছিল—

"সুৰতি দেহ তোক নাহিঁ হৰোঁ।
দান লওঁ তাক শপত কৰোঁ।

ছত্র ধৰ কহ্নাঞিঁ দিবোঁ সুৰতি।
নহে মনে পৰিহাৰ আৰতী।।"

ভাৰ খণ্ডৰ দৰেই এই খণ্ডটিও খণ্ডিত, গতিকে সম্পূর্ণ কাহিনী পোৱা নাযায়।

শ্রীকৃষ্ণ কীর্ত্তনৰ অন্তর্গত 'বৃন্দাবন খণ্ড'ত *ভাগৱতৰ* যথেষ্ট প্রভাৱ লক্ষ্য কৰা যায়। *ভাগৱত পুৰাণত* শৰৎ কালত ৰাসৰ বর্ণনা দাঙি ধৰাৰ বিপৰীতে *শ্রীকৃষ্ণ কীর্ত্তনৰ* বৃন্দাবনখণ্ডত বসন্তকালত ৰাসৰ বর্ণনা দাঙি ধৰা হৈছে। মন কৰিবলগীয়া যে *ভাগৱত* অথবা *গীত গোবিন্দত* কংসবধৰ পিছতহে বৃন্দাবনত ৰাসলীলা অনুষ্ঠিত হৈছে। আনহাতে, *শ্রীকৃষ্ণ কীর্ত্তনত* কংসবধৰ পূর্বেই বৃন্দাবন খণ্ডত ৰাসলীলাৰ বর্ণনা দাঙি ধৰা হৈছে। *শ্রীকৃষ্ণ কীর্ত্তনত* কৃষ্ণই বড়াইক কৈছে— "মথুৰা আইলোহো তেজি গোকুলেৰ ৰাস। মন কৈলা কৰিব মো কংসেৰ বিনাস।" বৃন্দাবন খণ্ডত কৃষ্ণই অনুপম উদ্যানৰ সৃষ্টি কৰি ৰাধাৰ সৈতে মিলনৰ বাবে অপেক্ষা কৰি আছে। ইতিমধ্যে ৰাধা ৰতিক্রিয়াত পাৰদর্শিনী হৈ উঠিছে। সেয়ে বড়াইৰ যোগেদি কৃষ্ণৰ আহ্বানৰ কথা শুনি ৰাধাই কৌশলেৰে সাজি কাছি সখীসকলৰ সৈতে বৃন্দাবনৰ পুষ্পকুঞ্জলৈ ৰাওনা হৈছে। বৃন্দাবন খণ্ডৰ ৰাসলীলাত কবিয়ে মূলতঃ ভাগৱতৰ কাহিনী অনুসৰণ কৰিলেও ঠাইবিশেষে স্বকীয় চিন্তাৰ পৰিচয় দিবলৈ সক্ষম হৈছে, য'ত কৃষ্ণক ৰাধাৰ অনুগত কৰি তোলা হৈছে।

"বৃন্দাবন জান ৰাধা ৰস পৰিহাসে।
আড় নয়নে দেখে কাহ্নঞিঁক পাশে।।
খসাআঁ বান্ধিল পুণী কুন্তলভাৰ।
সঘন ছাড়িল ৰাধা হাম্বী অপাৰ।।"

শ্রীকৃষ্ণ কীর্ত্তনৰ যমুনা খণ্ডত একেলগে কেইবাটাও ঘটনা সন্নিৱিষ্ট হৈছে— কালীয়দমন, জলকেলি আৰু বস্ত্রহৰণ। এই খণ্ডৰ অন্তর্গত কালীয়দমনৰ কাহিনীভাগ পৌৰাণিক যদিও কাব্যত জলক্রীড়াৰ বাবে উপযুক্ত স্থান হিচাপে কালীহ্রদক নির্বাচন কৰা হৈছে। এই হ্রদৰ পানী বিষমুক্ত কৰিবৰ কাৰণেই কৃষ্ণই কালীহ্রদত জাঁপ দিছে।

কৃষ্ণই কালীহ্রদত জাঁপ দিয়াত তেওঁক কালীনাগে দংশন কৰিছে আৰু কৃষ্ণই চৈতন্য হেৰুৱাত বলো�ৰামে তেওঁৰ পুনৰ চেতনা লাভৰ কাৰণে দশাৱতাৰৰ স্তৱ কৰিছে।

তাৰ পাছতেই ৰাধা আৰু অন্যান্য সখীসকলৰ সৈতে কৃষ্ণই জলকেলি কৰিছে আৰু মুহূর্ততে কদম গছত উঠি গোপীসকলৰ বস্ত্রহৰণ কৰাৰ বর্ণনা দাঙি ধৰা হৈছে। বাণ খণ্ডত কৃষ্ণই মদন বাণেৰে ৰাধাক মোহিত কৰিছে আৰু মদন শৰবিদ্ধ ৰাধা যৌৱনোন্মাদিনী হৈ কৃষ্ণৰ সঙ্গ কামনা কৰি বড়াইৰ ওচৰত কৃষ্ণৰ সন্ধান কৰিছে আৰু অৱশেষত ৰাধা-কৃষ্ণৰ পুনর্মিলন ঘটিছে।

বংশীখণ্ডত কৃষ্ণই নির্মাণ কৰা অপূর্ব বংশীৰ প্রাণস্পর্শী সুৰধ্বনিয়ে ৰাধাক প্রাণচঞ্চল কৰি তুলিছে, ফলত ৰাধাৰ দৈনন্দিন জীৱন যাত্রা বিধ্বস্ত হৈ পৰিছে। কিন্তু, তেনে এক আবেগবিহ্বল মুহূর্তত কৃষ্ণক কাষত বিচাৰি পোৱাটো অসম্ভৱ। বংশীধ্বনিৰে

ৰাধাক ব্যাকুল কৰি থৈ কৃষ্ণ ৰাধাৰ পৰা আঁতৰি থাকে। অৱশেষত বড়াইৰ পৰামর্শ অনুসৰি কৃষ্ণৰ নিদ্রামগ্ন অৱস্থাত ৰাধাই উক্ত বংশী হৰণ কৰে আৰু উভয়ৰে বাদানুবাদৰ অন্তত ৰাধাই কৃষ্ণৰ বংশী পুনৰ ঘূৰাই দিয়ে। বংশী ধ্বনিয়ে ৰাধাৰ মন কেনেদৰে মতলীয়া কৰি তুলিছে, তাৰ নিদর্শন তলৰ গীতটি—

"কে না বাঁশী বাএ বড়ায়ি কালিনী নইকুলে।
কে না বাঁশী বাএ বড়ায়ি এ গোঠ গোকুলে।।
আকুল শৰীৰ মোৰ বেআকুল মন।
বাঁশীৰ শবদেঁ মো আউলাইলোঁ ৰান্ধন।।
কে না বাঁশী বাএ বড়ায়ি সে না কোন জনা।
দাসী হআঁ তাৰ পাএ নিশিবোঁ আপানা।।" ধ্রু।

বিৰহ খণ্ডত ৰাধাৰ হৃদয়ৰ কৰুণ ক্রন্দনৰ মাজেদি অসম্পূর্ণ কাব্যখনিৰ পৰিসমাপ্তি ঘটিছে। কৃষ্ণৰ বিৰহত ব্যাকুল ৰাধাই বহুতো অন্বেষণৰ অন্তত কৃষ্ণক বিচাৰি পায় আৰু তেওঁৰ সৈতে মিলিত হয়। মিলন-তৃপ্তা ভাগৰুৱা ৰাধাই কৃষ্ণৰ কোলাত মূৰ থৈ টোপনি যাওঁতেই নিষ্ঠুৰ কৃষ্ণই নিদ্রাৰত অৱস্থাতে ৰাধাক এৰি থৈ আঁতৰি যায়। সাৰ পাই উঠি ৰাধা পুনৰ বিৰহত আকুল হৈ পৰে। ৰাধা বিৰহৰ এই চৰম মুহূর্তৰ বর্ণনাৰে কাব্যখনিৰ ঘটনাৰ পৰিসমাপ্তি ঘটিছে—

"বুঝিতে না পাৰো কাহ্নাঞি তোহ্মাৰ চৰিত।
যাচিতে উপেখহ তোহ্মে সে অমৃত।।
অৰ কভো ধিক না বুলিব চন্দ্রাৱলী।
মোৰ বোলে ভৰ কৰি আইস বনমালী।।
আসুখিনী চন্দ্রাৱলী বিকলী বিৰহে।
এবে তাক তেজিতে উচিত তোৰ নহে।। ধ্রু।
মোৰ বোলেঁ তোহ্মে তাৰ পাসক না আসিবেঁ।
পাছে কলি কাহ্নঞিঁ বিৰহদুখ পাইবেঁ।।
ভাত না খাইলি তৰেঁ তাহাৰ কাৰণে।
শাকৰ খাইতেঁ তোহ্মে আদবাহ কেহ্নে।।
ভাঁগিল সোণাৰ ঘট যুড়ীবাক পাৰি।
উত্তম জনেৰ নেহা তেহেন মুৰাৰী।।
যে পুণি আধম জন আন্তৰে কপট।
তাহাৰ সে নেহা যেহ্ন মাটিৰ ঘট।।
ৰাধিকা থাকিলী বসি আপনাৰ ঘৰে।
তোহ্মে থাকিলা আসি মথুৰা নগৰে।।
আসি জাই কৰী মোৰ আকুল পৰাণে।
গাইস বড়ু চণ্ডীদাস বাসলী গণে।।"

শ্রীকৃষ্ণ কীর্ত্তনৰ ভাষা ঃ বড়ু চণ্ডীদাসৰ *শ্রীকৃষ্ণ কীর্ত্তনত* মধ্যযুগৰ আদিপর্বৰ ভাষাৰ লক্ষণ পৰিস্ফুট হৈ উঠিছে। *শ্রীকৃষ্ণ কীর্ত্তনৰ* ভাষা সম্পর্কে উল্লেখ কৰি সুনীতি কুমাৰ চট্টোপাধ্যায়ে লিখিছে—

"The language of the charyas and the 'Srikrishnakirtana' have been preserved only because they were fortunately locked up in the old mss which were not replaced by later copies in which the language would certainly have been altered. The next great landmark in the study of Bengali, after the caryas, is the 'Srikrishnakirtana' of Chandidasa. This work, from point of view of language, is of unique character in middle Bengali Literature. The mss from the style of script it employs according to expert opinion, belongs to the later half of the 14th century. It gives the genuine west Bengali as used in literary composition in the middle of that century. The genuineness of the work is borne out by the remarkably archaic character of the forms, which agree with such widely distant dialects as North-Bengali and Assamese; and some of its expressions are found in oriya..."

বাণীকান্ত কাকতিয়ে পুথিখনত অসমীয়া আৰু বাংলা উভয়ৰে ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক বৈশিষ্ট্যবোৰলৈ লক্ষ্য ৰাখি মন্তব্য আগবঢ়াইছে যে অসমীয়া, বাংলা আদি ভাষা স্পষ্টৰূপে পৃথক হৈ ওলোৱাৰ আগৰ যিটো সাধাৰণ ৰূপ সিহঁতৰ আছিল, *শ্রীকৃষ্ণ কীর্ত্তনৰ* ভাষা তাৰে প্রতিভূ। সুনীতি কুমাৰ চট্টোপাধ্যায় প্রভৃতি বাংলা পণ্ডিতে চর্যাগীতৰ পিছতেই বাংলা ভাষাৰ শ্রেষ্ঠ নিদর্শন হিচাপে *শ্রীকৃষ্ণ কীর্ত্তন* স্থাপন কৰিব খোজে। আন এগৰাকী সাহিত্যৰ ইতিহাসকাৰ সুকুমাৰ সেনৰ মতে— "*শ্রীকৃষ্ণ কীর্ত্তনে* মধ্যকালীন বঙ্গালা ভাষার প্রাচীন রূপটি যতটা অবিকৃত এতটা আর কোনো পুৰাণো গ্রন্থে পাই না। চর্যাপদাৱলীর পরেই বঙ্গালা ভাষার পুরাণো নিদর্শন *শ্রীকৃষ্ণ কীর্ত্তনে* বহুল লভ্য।"

মন কৰিবলগীয়া যে গ্রন্থৰ সম্পাদক বসন্ত ৰঞ্জন ৰায়ে ছপা পুথিত মূল পুথিৰ পাঠ হুবহুভাৱে প্রকাশ কৰা নাই। এনে ত্রুটি প্রথমে দৃষ্টিগোচৰ হয় ৰবীন্দ্রনাথ ঠাকুৰৰ। সম্পাদকে উপহাৰ হিচাপে দিয়া *শ্রীকৃষ্ণ কীর্ত্তন* গ্রন্থখনিৰ সৈতে তাত সন্নিৱিষ্ট পুথিৰ ফটোচিত্র নিমিলাত ৰবীন্দ্রনাথে সেয়া যে সম্পাদকৰেই ভুল সেই কথা উপলব্ধি কৰে। তেওঁ সম্পূর্ণ পুথিখনি অধ্যয়ন কৰি ঠায়ে ঠায়ে কিছুমান নোট দিছিল, যিখিনি পৰৱর্তী কালত বিশ্বনাথ ৰায়ে সংগ্রহ কৰা বুলি জনা যায়। সম্পাদকে পুথিৰ বহুতো পাঠ অশুদ্ধ বুলি ভাবি পাঠৰ মাজত সংশোধন কৰি দিছে আৰু পুথিৰ মূল পাঠটোৰ পাদটীকা সন্নিৱিষ্ট কৰিছে। কিন্তু, এনে সংশোধন যথাযথ নোহোৱা আৰু বহুক্ষেত্রত মূল পাঠৰ শুদ্ধতা

অবিসম্বাদিত বুলি পৰৱর্তী কালত বিজনবিহাৰী ভট্টাচার্য্য, সত্যব্রত দে প্রভৃতি পণ্ডিতে আলোচনা কৰিছে।

*শ্রীকৃষ্ণ কীর্ত্তন*ৰ ভাষাত পুৰণি অসমীয়া ভাষাৰ ধ্বনি আৰু ৰূপ প্রচুৰ পৰিমাণে বিদ্যমান। বিশেষকৈ চতুর্দশ-পঞ্চদশ শতিকাৰ পশ্চিম অসমৰ কথিত ভাষাৰ আভাস ইয়াৰ গীতত বিদ্যমান। গীতত ব্যৱহৃত শব্দ ভাণ্ডাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে অধিকাংশ শব্দই পৰৱর্তী কালত লাভ কৰা বিকশিত ৰূপটোৰ স্বাক্ষৰ বহন কৰে। বাণীকান্ত কাকতি, উপেন্দ্রনাথ গোস্বামী, পৰীক্ষিত হাজৰিকা, লীলাৱতী শইকীয়া বৰা প্রভৃতি পণ্ডিতে *শ্রীকৃষ্ণ কীর্ত্তন*ৰ ভাষাৰ বিষয়ে বিদ্যায়তনিক আলোচনা আগবঢ়াইছে। মুঠতে ক'ব পাৰি যে *শ্রীকৃষ্ণ কীর্ত্তন*ৰ ভাষাই চর্যাগীতৰ পৰৱর্তী কালছোৱাৰ সমসাময়িক কথিত ভাষাৰ নিদর্শন দাঙি ধৰে। গতিকে ইয়াৰ ভাষা বাংলা ভাষাতকৈ অসমীয়া ভাষাৰহে অধিক কাষ চপা।

সাহিত্যিক সৌন্দর্য ঃ *শ্রীকৃষ্ণ কীর্ত্তন*ৰ কথাবস্তু বৈষ্ণৱ পদাৱলী সাহিত্যৰ পৰা সম্পূর্ণ পৃথক। বৈষ্ণৱ পদাৱলী সাহিত্যই ইয়াৰ মাধুর্যৰ দিশৰ পৰা সর্বকালৰ বাংলা সাহিত্যৰ সার্বজনীন মহৎ ঐতিহ্যৰ দাবী কৰে। চৈতন্য পূর্ব কালৰে পৰাই বাংলা সাহিত্যত ৰাধাকৃষ্ণৰ প্রেমকাহিনীৰ জনপ্রিয়তাই মানুহৰ মনত গভীৰ প্রভাৱ বিস্তাৰ কৰিছিল। *শ্রীকৃষ্ণ কীর্ত্তন* দৰাচলতে চৈতন্য পূর্ব ৰচনা আৰু এই কাব্যৰ মাধ্যমেদি ৰাধাকৃষ্ণৰ প্রেমমূলক কাহিনীভাগ নাটকীয় গুণেৰে সমৃদ্ধ ৰূপত যাত্রাৰ উপযোগীকৈ ৰচনা কৰা হৈছে।

বৈষ্ণৱ পদাৱলীত চিত্রিত দেহাতীত অধিদৈৱিক প্রেমৰ বিপৰীতে *শ্রীকৃষ্ণ কীর্ত্তন*ত সম্পূর্ণ পার্থিৱ প্রেমৰ স্থূলতাধর্মী বর্ণনা মন কৰিবলগীয়া। লোকসমাজৰ ধর্মীয় চেতনাৰ পৰিৱর্তে মানৱীয় চেতনাৰ তথা অনুভূতিৰ বাস্তৱ প্রতিফলনেই এনে সাহিত্য সৃষ্টিৰ অন্তর্নিহিত প্রেৰণা বুলিব পাৰি। *শ্রীকৃষ্ণ কীর্ত্তন*ৰ কাহিনী আধুনিক ভাৱনাৰ তুলাচনীৰে জুখি চালে সম্পূর্ণ ৰুচিহীন যেন লাগিব পাৰে, কিন্তু সেই সময়ত ৰচিত প্রায়বোৰ কাব্যতেই অনুৰূপ বর্ণনাৰ অভাৱ দেখা নাযায়।

*শ্রীকৃষ্ণ কীর্ত্তন*ত নাট্যধর্মিতাৰ প্রধান্য থাকিলেও ঠায়ে ঠায়ে গীতিকবিতাৰ মাধুর্যও উপলব্ধি কৰিব পাৰি। লোক সংগীতৰ প্রভাৱো কিছু পৰিমাণে অনুভূত হয়। কোনো বিশেষ তত্ত্বক আধাৰ হিচাপে লৈ ৰচিত নোহোৱা কাৰণেই *শ্রীকৃষ্ণ কীর্ত্তন*ৰ মানৱীয় আবেদন চৈতন্য পৰৱর্তী পদাৱলীৰ তুলনাত অধিক। ৰাধা-কৃষ্ণৰ প্রেমকাহিনী ক্ষেত্রবিশেষে কিছু অমার্জিত হ'লেও, মানৱীয় দিশৰ পৰা তাৰ বাস্তৱিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি। কাব্যখনৰ ৰাধাবিৰহ খণ্ডত গীতিধর্মিতাৰ প্রাচুর্য-সর্বাধিক।

*শ্রীকৃষ্ণ কীর্ত্তন*ৰ কাব্যগুণৰ নিদর্শন স্বৰূপে দানখণ্ডত কৃষ্ণই ৰাধাৰ ৰূপৰ বর্ণনা কৰাৰ বিশেষ অংশ উল্লেখ কৰিব পাৰি—

"নীল জলদ-সম কুন্তলভৰা।
বেকত বিজুলি শোভে চম্পকমালা।

শিশত শোভএ তোৰ কাম সেন্দুৰ।
প্রভাত সমত্র যেন উয়ি গেল সুৰ।।"

বংশী খণ্ডৰ ভালেমান গীতত গীতিকবিতাৰ সুৰ ধ্বনিত হৈ উঠিছে। বিশেষকৈ 'কেনা বাঁশী বা এ বড়ায়ি', 'কাখেত কলসী বড়ায়ি যাওঁ ধীৰে ধীৰে, 'মেঘ যেন আষাঢ় শ্রাবণে', প্রভৃতি গীতৰ সুৰৰ মাধুর্য অতি চমৎকাৰ। এনে গীতৰ কথাবস্তু আৰু ভাষাৰ মাধুর্যই অতি সহজেই শ্রোতাৰ মন আকর্ষিত কৰে। 'কে না বাঁশী বাএ বড়ায়ি' গীতটিত ভক্ত আৰু ভগৱানৰ মাজৰ গভীৰ সম্পর্কৰ স্বৰূপ চিত্রিত হৈছে। ইয়াত ৰাধা ভক্ত, কৃষ্ণ ভগৱান। যুগ যুগ ধৰি ভগৱানে ভক্তক আহ্বান কৰি আহিছে যদিও পার্থিৱ মায়াত বন্দী ভক্তই ভগৱানৰ আহ্বান ধ্বনি উপলব্ধি কৰিব পৰা নাই। মাজে সময়ে ভগৱানৰ নিবিড় আহ্বানে ভক্তক চমকিত কৰি তুলিলেও সাংসাৰিক মায়া-বান্ধোনত বেছিকৈ আকর্ষিত হোৱাৰ কাৰণে ভক্তই সেই আহ্বানৰ কথা অতি সহজেই পাহৰি যায়। কিন্তু, কেতিয়াবা ভগৱানৰ আকুল আহ্বান উপেক্ষা কৰিব নোৱাৰি ভক্তই তেওঁৰ সান্নিধ্য বিচাৰি ব্যাকুল হয় আৰু নানা ধৰণৰ বিঘিনি অতিক্রম কৰিও তেওঁৰ সৈতে সাক্ষাৎ লাভ কৰে—

"কেনা বাঁশী বাএ বড়ায়ি চিত্তেৰ হৰিষে।
তাৰ পাএ বড়ায়ি মো কৈলোঁ কোন দোষে।
অঝৰ ঝৰএ মোৰ নয়নেৰ পানী।
বাঁশীৰ শবদেঁ বড়ায়ি হাৰায়িলোঁ পৰাণী।
আকুল কৰিতে কিবা আহ্মাৰ মন।
বাজাএ সুসৰ বাঁশী নন্দেৰ নন্দন।।
পাখি নহোঁ তাৰ ঠাই উড়ী পড়ি যাওঁ।
মেদনী বিদাৰ দেউ পসিআঁ লুকাওঁ।।
বন পোড়ে আগ বড়ায়ি জগজনে জানী।
মোৰ মন পোৰে যেহ্ন কুম্ভাৰেৰ পণী।।
অন্তৰ সুখাও মোৰ অভিলাসে।
বাসলী শিৰে বন্দী গাইল চণ্ডীদাসে।।"

গীতটিত ভক্তা ৰাধিকাৰ কৃষ্ণৰ প্রতি থকা প্রেমৰ ব্যাকুলতা প্রকাশিত হৈছে। অনুৰূপভাৱে 'কাখেত কলচী বড়ায়ি যাওঁ ধীৰে ধীৰে' গীতটিৰ সাঙ্গীতিক মাধুর্যও মন কৰিবলগীয়া—

"কাখেত কলচী বড়ায়ি জাওঁ ধীৰে ধীৰে।
চতর্দ্দিশে চোহোঁ বড়ায়ি যমুনাৰ তীৰে।।
বাঁশীনাদ সুণী কাহ্ন দেখিতে নাপাওঁ।
মেদনী বিদাৰ দেউ পসিএাঁ লুকাঁও।।

চাহা চাহা আল বড়ায়ি যমুনাৰ তীৰে।
বাঁশীৰ শবদেঁ প্ৰাণ কেহ্ন জনি কৰে ল।" ধ্ৰু।। ইত্যাদি।

ৰাধাবিৰহ খণ্ডত কৃষ্ণ বিৰহিনী ৰাধাৰ প্ৰেমৰ সৰ্বগ্ৰাসী ৰূপে কাব্যিক কল্পনাৰ দিশৰ পৰা চমৎকাৰ ৰূপ লাভ কৰিছে—

"এ ধন যৌৱন বড়ায়ি সবই অসাৰ।
চিণ্ডিআঁ পেলাইবোঁ গজমুকুতাৰ হাৰ।।
মুছিআ পেলাইবোঁ মোয়ে সিসেৰ সিন্দূৰ।
বাহুৰ বলয়া মো কাৰবোঁ শঙ্খচূৰ।।
দাৰণী বড়ায়ি গো দেহ প্ৰাণদান।
আপনাৰ দৈব দোষে হাৰায়িলোঁ কাহ্ন।। ধ্ৰু।।
মুণ্ডিআঁ পেলাইবোঁ দেশ জাইবোঁ সাগৰ।
যোগিনীৰূপ ধৰী লইবোঁ দেশান্তৰ।।
যবে কাহ্নে না মিলিহে কৰমেৰ ফলে।
হাতে তুলিআঁ মো খাইবোঁ গৰলে।।
কাহ্নে সমে সাধিতেঁ না পায়িলোঁ ৰতিসাধী।
আঞ্চলেৰ ধন মোৰ হৰিলেক বিধী।।
এভোহোঁ বড়ায়ি মোৰ কৰ প্ৰতিকাৰ।
আণিআঁ দি আৰ মোকে কাহ্ন একবাৰ।।
মাথোঁ শম্ভু সম খোঁপা শিসতে সিন্দুৰ।
এহা দেখি কেহ্নে কাহ্নে গেলন্ত বিদূৰ।।" ইত্যাদি।

এনেদৰে ভালেমান গীতত অনুভূতিৰ গভীৰতা আৰু ভাবৰ অন্তর্মুখিতাই অতি সংবেদনশীলভাৱে শ্ৰোতা-পাঠকৰ হৃদয়-মন স্পৰ্শ কৰিবলৈ সক্ষম হোৱাৰ লগে লগে কাব্যিকতাৰ দিশৰ পৰাও শ্ৰেষ্ঠত্বৰ সূচনা কৰিছে। কাব্যিক উপমাদিৰ প্ৰয়োগৰ ক্ষেত্ৰত কবিয়ে সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ লগে লগে গ্ৰাম্য জীৱনৰ অভিজ্ঞতালব্ধ মৌলিক চিন্তাৰ পৰিচয় বহন কৰিছে। উদাহৰণ স্বৰূপে তাম্বুল খণ্ডত বড়াইয়ে কৃষ্ণৰ ওচৰত এনেদৰে ৰাধাৰ ৰূপৰ বৰ্ণনা দাঙি ধৰিছে—

"কেসপাশেঁ শোভে তাৰ সুৰঙ্গ সিন্দুৰ।
সজল জলদে সেহ্ন উটল নব সূৰ।
কনককমল ৰুচি বিমল বদনে।
দেখি লাজে গেলা চান্দ দুই লাগ যোজনে।।
মুণিমন মোহিনী ৰমণী অনুপামা।
পদুমিনী আহ্মাৰ নাতিনী ৰাধানামা।।
ললিত অলকপাঁতি কাঁতি দেখি লাজ।

তমাল কলিকাকুল ৰহে বনমাঝে।।
আলস লোচন দেখি কাজলে উজল।
জলে পসি তপ কৰে নীল উতপল।।
কণ্ঠদেশ দেখিআঁ শঙ্খত ভৈশ লাজে।
সত্বৰে পসিলা সাগৰৰ জলমাঝে।
কুচযুগ দেখি তাৰ অতি মনোহৰে।
অভিমান পাআঁ পাক দাড়িম বিদৰে।।"

কবিৰ এই বর্ণনা সম্পূর্ণ সংস্কৃত অলঙ্কাৰ শাস্ত্রৰ অনুগামী। পুৰণি বাংলা সাহিত্যৰ ভালেমান কবিৰ বর্ণনাত এনে ধৰণৰ সংস্কৃত অলঙ্কাৰ শাস্ত্রৰ অনুগামী উপমাদি অলঙ্কাৰৰ নিদর্শন পোৱা যায়। *শ্রীকৃষ্ণ কীর্ত্তনৰ* অধিকাংশ গীততেই নায়িকা ৰাধাৰ ভুৱনমোহিনী ৰূপৰ বর্ণনা দাঙি ধৰিছে।

উপমা প্রয়োগত চণ্ডীদাসে বহু সময়ত জয়দেৱৰ গীতগোবিন্দ কাব্যক অনুসৰণ কৰিছে। উদাহৰণ স্বৰূপে তলত এটি দৃষ্টান্ত দাঙি ধৰা হ'ল। *শ্রীকৃষ্ণ কীর্ত্তনৰ* বৃন্দাবন খণ্ডত ৰাধাৰ ৰূপত বর্ণনা দাঙি ধৰা হৈছে এনেদৰে—

"তমাল কুসুম চিকুৰগণে।
নীল কুৱলক তোৰ নয়নে।।
সুপুট নাসা তিলফুলে।
দেখি তোৰ গণ্ডযুগ মহুলে।।
আধাৰ সুৰঙ্গ বান্দুলী ফুলে।
কন্নযুগ তোৰ এ বগহুলে।।"

গীতগোবিন্দৰ দশম স্কন্ধত জয়দেৱৰ বর্ণনা এনে ধৰণৰ—

"বন্ধুকদ্যুতিবান্ধবোহয়মধৰঃ স্নিগ্ধো মধুকচ্ছবি
র্গণ্ডে চণ্ডি চকাস্তি নীলনলিনশ্রীমোচনং লোচনম্।
নাসাভ্যোতি তিলপ্রসূন-পদবীং কুন্দাভদন্তি প্রিয়ে
প্রায়স্ত্বন্মুখসেৱয়া বিজয়তে বিশ্বংচ পুষ্পায়ুধঃ।"

গতিকে দেখা যায় যে *শ্রীকৃষ্ণ কীর্ত্তনত* ৰাধাৰ নয়ন যুগলক নীল কুৱলকৰ সৈতে তুলনা কৰা হৈছে। অনুৰূপভাৱে জয়দেৱে *গীতগোবিন্দত* তাৰ বর্ণনা দাঙি ধৰিছে 'চকাস্তি নীলনলিনশ্রীমোচনং লোচনম্' ৰূপত।

বড়ু চণ্ডীদাসৰ *শ্রীকৃষ্ণ কীর্ত্তনত* লোকজীৱনৰ পৰা সংগৃহীত উপমাদি অলঙ্কাৰত মৌলিকতাৰ পৰিচয় স্পষ্ট। সমকালীন সমাজ জীৱনৰ পৰা লাভ কৰা অভিজ্ঞতাৰ আধাৰত কবিয়ে এইসমূহ নির্বাচন কৰিছে। ৰাধা আৰু কৃষ্ণৰ ৰূপ বর্ণনাত কবিয়ে সংস্কৃত কাব্যশাস্ত্রৰ পৰম্পৰা অনুসৰণ কৰিলেও বড়াইৰ ৰূপ বর্ণনাত কবিয়ে মৌলিক সৃজনী প্রতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। কিয়নো কাব্যখনত বড়াই চৰিত্রটো সম্পূর্ণ নতুন। জন্ম

খণ্ডত নাৰদৰ বৰ্ণনাতো কবিয়ে পৌৰাণিক দেৱৰ্ষি চৰিত্ৰৰ পৰিৱৰ্তে গ্ৰাম্য চৰিত্ৰ ৰূপে চিত্ৰিত কৰিছে। আনকি কৃষ্ণৰ কেতবোৰ উক্তিৰ মাজতো লোকজীৱনৰ বিশিষ্ট বাক্‌শৈলীৰ পৰিচয় ফুটি উঠিছে। উদাহৰণ স্বৰূপে দান খণ্ডত কৃষ্ণই ৰাধাক উদ্দেশ্যি কৈছে—

"তোহ্মাৰ যৌবন ৰাধা কৃপিনেৰ ধন।
পোটলি বান্ধিয়া ৰাখ নহুলী যৌবন।।
বিলাহ যৌবন ৰাধা ল মোৰ বোল শুন।
যাবত যৌৱনে ৰাধা নাহি লাগে ঘুণ।" ধ্ৰু।।

সেইদৰে,

"তোহ্মাৰ যৌবন ৰাধা পাণিৰ ফোটা।
চিৰকাল না ৰহিবে থাকি যাইবে গোঁটা।।
এ দিন ভুবনে ৰাধা তোহ্মা কৈলোঁ সাৰ।
মনে পৰিভাবি দেহ সৰস শৃঙ্গাৰ।।"

কৃষ্ণৰ দৰে ৰাধায়ো তেওঁৰ প্ৰতি অনুৰূপ বক্তব্য আগ বঢ়াইছে, এনেদৰে—

"এ বোল বুলিতে তোৰ মনে বড় যুগ।
পৰঘৰ পইসে যেহ্ন চোৰ পাটাবুক।।"

আকৌ—

"পুৰাণ আগম বেদ কৰহ বিচাৰ।
দেখ যত পাপ হএ কৈলেঁ পৰদাৰ।।"

অনুৰূপভাৱে ভাৰ খণ্ডত ৰাধাই কৃষ্ণক কটুবচন শুনাইছে এনেদৰে—

"চুন বিহনে যেহ্ন তাম্বুল তিতা।
আলপ বএসে তেহ্ন বিৰহেৰ চিন্তা।।
লাজ নাহি কাহ্নাঞিঁ বদনে তোহোৰ।
পাছে আসিতেঁ কেহ্ন চাহসি মোৰ।।"

গতিকে দেখা যায় যে বড়ু চণ্ডীদাসে পৰম্পৰাগত সংস্কৃত শাস্ত্ৰৰ আলঙ্কাৰিক ৰীতি অনুসৰণ কৰিলেও বহুক্ষেত্ৰত লোকজীৱনৰ পৰা উপাদান সংগ্ৰহ কৰি কাব্যত প্ৰয়োগ কৰিছে।

চৰ্যাগীতৰ পৰা আৰম্ভ কৰি পুৰণি কবিসকলে তেওঁলোকৰ ৰচনাত ভালেমান প্ৰবাদ আৰু প্ৰবচনৰ প্ৰয়োগ কৰি আহিছে। বড়ু চণ্ডীদাসো তাৰ ব্যতিক্ৰম নহয়। *শ্ৰীকৃষ্ণ কীৰ্ত্তনত* কবিয়ে বিশেষ অৰ্থ প্ৰকাশ কৰিবৰ কাৰণে কৃষ্ণ, ৰাধা আৰু বড়াইৰ মুখত ভালেমান প্ৰবাদ-প্ৰবচনৰ প্ৰয়োগ কৰিছে। উদাহৰণ স্বৰূপে তলত কেইটিমান নিদৰ্শন দাঙি ধৰা হ'ল।

"যে থানে শুচীনা জাএ তথা বাটিয়া বহনি।' (তাম্বুল খণ্ড, গীত)
"ললাট লিখিত খণ্ডন ন জাএ।" (দান খণ্ড)

"দেখিল পাকিল বেল গাছেৰ উপৰে।
আৰতিল কাক তাক ৰাখিতেঁ না পাৰে।।" (দান খণ্ড)
"পোএৰ মুখে পৰবত টলে।" (দান খণ্ড)
"মুদিত ভাণ্ডাৰে কাহ্নঞিঁ না সাম্বাএ চুৰী।" (নৌকা খণ্ড)
"সাপেৰ মুখতে কেহ্নে আঙ্গুল দেসী।" (ভাৰ খণ্ড)
"হাথ বাঢ়ায়িলে কি চান্দেৰ লাগ পাই।" (ভাৰ খণ্ড) ইত্যাদি।

শ্রীকৃষ্ণ কীর্ত্তন ৰাধা-কৃষ্ণৰ লীলা বিষয়ক কাব্য। কাব্যখনত ৰাধা, তেওঁৰ স্বামী আইহন, ৰাধাৰ শাহুয়েক, বৃদ্ধা বড়াই প্রভৃতিক কেন্দ্র কৰি এটি পাৰিবাৰিক পৰিৱেশ সৃষ্টি কৰা হৈছে। ৰাধাৰ যৌৱন কালত তেওঁৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব ন্যস্ত কৰা হৈছিল বড়াইৰ ওপৰত। বড়াইৰ নেতৃত্বতেই গোৱালিনীসকলৰ সৈতে ৰাধাই মথুৰা হাটত দুগ্ধজাত সামগ্রী বিক্রী কৰিবলৈ যায়। কাব্যখনিত গোৱালসকলৰ লগতে কুমাৰ, নাপিত, তেলী প্রভৃতি কেইবাটাও বৃত্তিয়াল সম্প্রদায়ৰ উল্লেখ পোৱা যায়। অন্যান্য জাতি-সম্প্রদায়ৰ ভিতৰত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্র, আদিৰ প্রসঙ্গও আছে।

গ্রাম্য জীৱনৰ বিবিধ সংস্কাৰ, যাত্রাৰ শুভাশুভ গণনা, প্রভৃতি বিভিন্ন বর্ণনাই কবিৰ লোকজীৱনৰ সৈতে থকা গভীৰ পৰিচিতিৰ আভাস দাঙি ধৰে। ৰাধা- কৃষ্ণৰ মাজত ব্যৱহৃত উক্তি-প্রত্যুক্তিৰ মাজেদিও সমসাময়িক সমাজ জীৱনৰ চিত্র ফুটি উঠিছে। বড়ুচণ্ডীদাসৰ *শ্রীকৃষ্ণ কীর্ত্তনত* সমসাময়িক সমাজৰ ভাব, ভাষা, ৰুচিবোধ আৰু জীৱনবোধৰ পৰিচয় স্পষ্ট ৰূপত ফুটি উঠিছে। আদিৰসৰ প্রাধান্যৰ হেতুকে ঠাইবিশেষে গ্রাম্য-দোষদুষ্ট হ'লেও কাব্য-কাহিনীৰ প্রয়োজনত অনিবার্যভাৱেই এনে ৰসৰ বর্ণনা দাঙি ধৰা হৈছে। অৱশ্যে মনস্তাত্ত্বিক দিশৰ পৰাও কাব্যখনিৰ গুৰুত্ব কম নহয়। সাহিত্যৰ ইতিহাসৰ দিশৰ পৰাও কাব্যখনিৰ মহত্ব আৰু গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। মনকৰিবলগীয়া যে ১৯১৬ চনতেই কাব্যখনি বসন্তৰঞ্জন ৰায় বিদ্বদ্বল্লভে প্রথম সম্পাদনা কৰি উলিয়ায়। গ্রন্থখনৰ ভাষা বাংলা ভাষাতকৈ অসমীয়া ভাষাৰ অধিক কাষ চপা আৰু লিপিৰ ক্ষেত্রতো অসমীয়া পুৰণি লিপিৰ স্বাক্ষৰ বিদ্যমান। বিশেষকৈ 'ৰ'ৰ পৰিৱর্তে 'ৰ'ৰ স্পষ্ট প্রয়োগ সাঁচিপতীয়া লিপিত জিলিকি আছে। অথচ সাহিত্যৰ ইতিহাসত 'উমৈহতীয়া সাহিত্য'ৰ নিদর্শন ৰূপেই *শ্রীকৃষ্ণ কীর্ত্তন* আলোচিত হৈ আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ *শ্রীকৃষ্ণ কীর্ত্তনৰ* ৰচক কোন?

(১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৩ ঃ *শ্রীকৃষ্ণ কীর্ত্তনৰ* কাহিনীভাগ কেইটাখণ্ডত বিভক্ত?

(২৫০টা শব্দৰ ভিতৰত লিখক)



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি প্ৰত্ন অসমীয়া আৰু মিশ্ৰ অসমীয়া সাহিত্যৰাজিৰ অন্তৰ্গত চৰ্যাপদ আৰু *শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ* বিষয়ে সম্যক ধাৰণা লাভ কৰিলোঁ।
- ইয়াত প্ৰত্ন অসমীয়া সাহিত্যৰ নিদৰ্শন চৰ্যাপদ বা চৰ্যাগীতৰ বিষয়বস্তু, ভাষা, ৰচনাৰীতি, চৰ্যাপদত প্ৰয়োগ কৰা প্ৰতীক, উপমা, প্ৰবাদ-প্ৰবচন আদিৰ বিষয়ে প্ৰণালীবদ্ধভাবে আলোচনা কৰা হ'ল।
- চৰ্যাপদৰ অন্তৰ্নিহিত উদ্দেশ্য, ইয়াৰ ধৰ্মীয় আৰু আধ্যাত্মিক দৰ্শন, যোগ আৰু তান্ত্ৰিক সাধন পদ্ধতিৰ সৈতে চৰ্যাপদৰ সম্পৰ্ক, চৰ্যাপদত গুৰুবাদ, নাৰী সঙ্গ, বৌদ্ধধৰ্ম ইত্যাদি বিভিন্ন দিশ সম্বন্ধে খৰচি মাৰি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।
- বৈষ্ণৱ পদাৱলীৰ ৰচয়িতা চণ্ডীদাস, বড়ু চণ্ডীদাস আৰু দ্বিজ চণ্ডীদাস প্ৰত্যেকেই পৰস্পৰৰ পৰা পৃথক । সেইদৰে *শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ* বিষয়বস্তু বৈষ্ণৱ পদাৱলী সাহিত্যৰ পৰা সম্পূৰ্ণ পৃথক।
- *শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ* কাহিনীভাগ কেইবাটাও খণ্ডত বিভক্ত। কাব্যত শ্ৰীকৃষ্ণ আৰু ৰাধাৰ জন্ম বৃত্তান্ত আৰু তেওঁলোকৰ বিবিধ লীলাৰ প্ৰসঙ্গ উপস্থাপন কৰা হৈছে। কাব্যখনত শ্ৰীকৃষ্ণৰ সম্ভোগৰ উদ্দেশ্যেই ৰাধাই জন্ম গ্ৰহণ কৰা কথাটো পুৰাণ সমৰ্থিত নহয়। *হৰিবংশ, বিষ্ণু পুৰাণ* আৰু *ভাগৱত পুৰাণত* ৰাধাৰ প্ৰসঙ্গ অনুপস্থিত। *পদ্ম পুৰাণ* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণতহে* ৰাধাৰ প্ৰসঙ্গ উপস্থাপন কৰা হৈছে।
- ভাষাৰ ক্ষেত্ৰত বাণীকান্ত কাকতিয়ে কাব্যখনত অসমীয়া আৰু বাংলা উভয় ভাষাৰ প্ৰত্নৰূপৰ উপস্থিতি প্ৰত্যক্ষ কৰিছে। আনহাতে, বাংলা পণ্ডিতসকলে কাব্যখনৰ ভাষা বাংলা বুলি ক'ব খোজে। সুকুমাৰ সেনে চৰ্যা পৰৱৰ্তী কালৰ বাংলা ভাষাৰ প্ৰত্ন ৰূপৰ নিদৰ্শন হিচাপে এই গ্ৰন্থৰ নাম উল্লেখ কৰিছে। অসমীয়া পণ্ডিতসকলে কাব্যখনৰ ভাষা বাংলাতকৈ অসমীয়া অধিক ওচৰ চপা বুলি মত প্ৰকাশ কৰিছে।
- অলঙ্কাৰ, ৰস আদিৰ লগতে ছন্দ প্ৰয়োগৰ ফালৰ পৰা এইখন এখন উৎকৃষ্ট কাব্য। ইয়াৰ অলঙ্কাৰ সংস্কৃত কাব্য শাস্ত্ৰৰ অনুকূল আৰু গ্ৰাম্য জীৱন অভিজ্ঞতাৰ সৈতে সম্পৰ্কিত কাব্যখনত লোক সমাজৰ ধৰ্মীয় চেতনাৰ প্ৰভাৱ স্পষ্ট। ইয়াত আধ্যাত্মিক প্ৰেমৰ পৰিৱৰ্তে পাৰ্থিব প্ৰেমৰ স্থূলতাধৰ্মী বৰ্ণনাৰ প্ৰভাৱ অধিক।
- কাব্যখনত নাট্যধৰ্মিতা আৰু কাব্যধৰ্মিতাৰ মধুৰ সমন্বয় ঘটিছে। লোক-সঙ্গীতধৰ্মিতা আৰু গীতি কবিতাৰ মাধুৰ্য্য কাব্যখনত লক্ষ্য কৰা যায়।



৩.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) হাজৰিকা, পৰীক্ষিত (১৯৮৭); *চর্য্যাপদ*; ফটাশিল-আমবাৰী, গুৱাহাটী ঃ ডালিমী প্রকাশন।

২) শর্মা, গিৰিধৰ (১৯৭৪); *অসমীয়া জাতিৰ ইতিবৃত্ত*; অসম সাহিত্য সভা।

৩) শর্মা দলৈ, হৰিনাথ (১৯৮৩); *অসমীয়া শক্তি সাধনা আৰু শক্তি সাহিত্য*; নলবাৰী ঃ পদ্মপ্রিয়া লাইব্রেৰী।

বাংলা গ্রন্থ ঃ

১) কবিৰাজ, গোপীনাথ (সম্পা.) (১৯২৫); *সিদ্ধসিদ্ধান্ত সংগ্রহ*; কাশী ঃ সৰস্বতী ভৱন, ষ্টিট নং ১৩।

২) দত্ত, অক্ষয় কুমাৰ (১৩১৪ বাংলা); *ভাৰতীয় উপাসক সম্প্রদায়*; কলিকতা।

৩) পাল, ৰামেশ্বৰ (১৯৭৬); *দার্শনিক শূন্যবাদ ও নাথ সাহিত্য*; কলিকতা।

৪) বাগ্চী, প্রবোধচন্দ্র (সম্পা.) (১৯৩৮); *কৌলজ্ঞান নির্ণয়*; কলিকতা বিশ্ববিদ্যালয়।

৫) মুখোপাধ্যায়, তাৰাপদ (১৯৫৬); *চর্য্যাগীতি*; কলিকতা।

ইংৰাজী গ্রন্থ ঃ

1) Bagchee, P.C. (1939); *Studies in the Tantras*; C. U. Press.

2) Chatterjee, S.K. (1955); *The Place of Assam in the History and Civilization of India*; G.U. Press.



৩.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ চর্যাপদসমূহ প্রত্ন অসমীয়া ভাষাৰ নিদর্শন স্বৰূপ... ...চর্যাপদৰ পৰিচয় আৰু ইয়াৰ ৰচোতাসকল তথা প্রাচীন কামৰূপৰ লগত থকা তেওঁলোকৰ সম্পর্কৰ উল্লেখ

২নং প্রশ্নৰ উত্তৰ ঃ *শ্রীকৃষ্ণ কীর্ত্তন*ৰ ৰচনাকাৰ 'চণ্ডীদাস' নামটোৰ লগত জড়িত সমস্যাটো আলোচনা কৰি যুক্তি নির্ভৰ উত্তৰ লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ *শ্রীকৃষ্ণ কীর্ত্তন*ত সর্বমুঠ ১৩টা খণ্ড থকাৰ কথা সাহিত্যৰ বুৰঞ্জীত উল্লেখ আছে... ...সেই খণ্ডসমূহৰ চমু পৰিচয়।

৩.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ চর্যাপদ বুলিলে কি বুজে? ইয়াৰ অন্তর্নিহিত বিষয়বস্তুৰ আভাস দিয়ক।

প্রশ্ন ২ ঃ চর্যাপদৰ কাব্যিক সৌন্দর্য বিচাৰ কৰক।

প্রশ্ন ৩ ঃ চর্যাপদৰ ভাষাৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৪ ঃ বৌদ্ধধর্মৰ সৈতে চর্যাৰ সম্পর্ক নিৰূপণ কৰক।

প্রশ্ন ৫ ঃ চর্যাপদত যোগৰ পাৰিভাষিক শব্দবোৰ কেনেদৰে প্রয়োগ কৰা হৈছে লিখক।

প্রশ্ন ৬ ঃ চর্যাপদত প্রকাশ পোৱা আধ্যাত্মিক দর্শন সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ৭ ঃ প্রত্ন অসমীয়া ভাষাৰ নিদর্শন চর্যাত কেনেদৰে ফুটি উঠিছে আলোচনা কৰক।

প্রশ্ন ৮ ঃ পদাৱলীৰ ৰচয়িতা চণ্ডীদাস আৰু বড়ু চণ্ডীদাস একেজনেই নে পৃথক ব্যক্তি? যুক্তিসহ উত্তৰ দিয়ক।

প্রশ্ন ৯ ঃ *শ্রীকৃষ্ণ কীর্ত্তন*ৰ নামকৰণ সম্পর্কীয় মতভেদৰ কাৰণ কি? এই সম্পর্কত চিন্তা- ভাৱনা কৰা ব্যক্তিসকল কোন কোন?

প্রশ্ন ১০ ঃ *শ্রীকৃষ্ণ কীর্ত্তন* খণ্ড কেইটা আৰু কি কি? কাব্যখনত ৰাধাৰ জন্ম প্রসঙ্গত কি কথা কোৱা হৈছে?

প্রশ্ন ১১ ঃ কাব্যখনৰ বিৰহখণ্ডত ৰাধাবিৰহৰ স্বৰূপ কেনেদৰে চিত্রিত কৰা হৈছে, লিখক।